মধ্যপ্ৰদেশত বিস্ফোৰণ, নিহত ৪
ই-সংবাদ, ২৬ নৱেম্বৰঃ এক ভয়ংকৰ বিস্ফোৰণত তচনচ হৈ পৰে তিনিটাকৈ বাসগৃহ, যাৰ ফলত ৫ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, NOVEMBER 27, 2024 ■ বুধবাৰ, ১১ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৪ Guwahati, Assam ।। মূল্যঃ এটকা

## ভূপেন বৰাৰ নাই কোনো ফেনক্লাব

ই-সংবাদ, ২৬ নৱেম্বৰঃ আন নেতাসকলৰ দৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাৰ শেষাংশ ৫ পৃষ্ঠাত



প্ৰধানমন্ত্ৰীক সাক্ষাৎ হেমন্ত ছোৰেনৰ

## খৰালিতে সম্পূৰ্ণ হৈ উঠিব উজনিৰ ফ'ৰলেন! কেন্দ্ৰৰ পত্ৰ

ই-সংবাদ, ২৬ নৱেম্বৰঃ যোৰহাট-ডিব্ৰুগড়ত ফ'ৰলেনক লৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে হোহকা পিছলা নীতি অৱলম্বন কৰাৰ লগতে অসম চৰকাৰেও বিষয়টোত গুৰুত্ব শেষাংশ ৫ পৃষ্ঠাত

### গোচৰৰ নামত চলাই গৈছিল বজাৰ

## 'শ্ৰীভূমি'ৰ শ্ৰীহানি কৰিলে স্বপন দাসে

ই-সংবাদ, শিলচৰ, ২৬ নৱেম্বৰঃ শ্ৰীভূমিৰ শ্ৰীহানি কৰি অসম আৰক্ষীৰ লেন্স নায়ক স্বপন দাসে হাত দাঙিলে। কৰিমগঞ্জ শেষাংশ ৪ পৃষ্ঠাত

## হিন্দু ধৰ্মগুৰুক জেললৈ নিক্ষেপক লৈ উত্তাল ঢাকা



ঢাকা, ২৬ নৱেম্বৰঃ বাংলাদেশত এগৰাকী সংখ্যালঘু হিন্দু ধৰ্মগুৰুক গ্ৰেপ্তাৰৰ পিছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভাৰতে। শেষাংশ ২ পৃষ্ঠাত

## এইবাৰ জ্বলিছে পাকিস্তান

ইছলামাবাদ, ২৬ নৱেম্বৰঃ কাৰাগাৰৰ কুঠৰীৰ পৰাই প্ৰাক্তন পাক প্ৰধানমন্ত্ৰী ইমৰান খানে কৰা আহ্বানৰ প্ৰতি শেষাংশ ২ পৃষ্ঠাত




## কেবিনেটত সিদ্ধান্ত! হোজাই নগৰৰ নামত লগাই দিলে 'শ্ৰীমন্ত'

ই-সংবাদ, ২৬ নৱেম্বৰঃ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ সাপ্তাহিক কেবিনেটৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সাপ্তাহিক কেবিনেট বৈঠকখনৰ অন্তত শেষাংশ ২ পৃষ্ঠাত

## বাংগালুৰুত হত্যাৰ বলি অসমৰ মায়া গগৈ

বাংগালুৰু, ২৬ নৱেম্বৰঃ পুনৰ বহিঃৰাজ্যত অসমীয়া গাভৰুক হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। শেষাংশ ৩ পৃষ্ঠাত




### দুৰ্বল চাৰ্জশ্বিট! মুকলি আকাশলৈ বিশাল, স্বপ্নীল, তাৰ্কিক

# কোটি কোটি টকা লুণ্ঠন কৰা ৩ খলনায়কৰ সহজ জামিন লাভ

ই-সংবাদ, ২৬ নৱেম্বৰঃ ৰাইজৰ কোটি কোটি টকা লুণ্ঠন কৰি গ্ৰেপ্তাৰ হোৱা ৩ অভিযুক্ত বিশাল ফুকন, স্বপ্নীল দাস, তাৰ্কিক বৰাই আৰক্ষীৰ দুৰ্বল চাৰ্জশ্বিটৰ বাবে উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰিবলৈ সক্ষম হ'ল। হিমন্ত বিশ্ব শৰ্মাৰ গৃহ বিভাগৰ চূড়ান্ত ব্যৰ্থতাৰ বাবেই অসমত অনলাইন ট্ৰেডিঙৰ নামত এক শেষাংশ ৭ পৃষ্ঠাত





## আৰ্থিক সাহায্য বিচাৰি ফেচবুকত পোষ্ট বিশিষ্ট শিল্পীৰ

ই-সংবাদ, ২৬ নৱেম্বৰঃ লাজ-মান কাটি কৰি সামাজিক মাধ্যমত অৰ্থ সাহায্য বিচাৰিবলৈ বাধ্য হৈছে ৰাজ্যৰ শিল্পী-সাহিত্যিক। অসমৰ কলা-সংস্কৃতিক শেষাংশ ৩ পৃষ্ঠাত






## সাংবাদিকক আক্ৰমণ

ই-সংবাদ, ২৬ নৱেম্বৰঃ ৰাজ্যত পুনৰ সংঘটিত হৈছে সাংবাদিক নিগ্ৰহৰ ঘটনা। এইবাৰ নামনি অসমৰ মানকাচৰত সাংবাদিক মিজানুৰ ইছলাম আৰু সমাজকৰ্মী শ্বাহিন আমিনক দুৰ্বৃত্তই হত্যাৰ প্ৰয়াস কৰাৰ শেষাংশ ৪ পৃষ্ঠাত

### বেংকৰ চিএছপিৰ ৩জন আহত

## বিলাসীপাৰাৰ ৰাণীগঞ্জত গুলীয়াই ধন লুটৰ চেষ্টা

ই-সংবাদ, ২৬ নৱেম্বৰঃ আৰক্ষীয়ে গিজগিজাই থকা ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ৰাণীগঞ্জত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ চিএছপি লুটি শেষাংশ ৩ পৃষ্ঠাত

### আৰক্ষীৰ হাতত প্ৰহৃত ডেলিভাৰী বয়ে পালে ভাল খবৰ

## ইউএছটিএমে চাকৰি দিলে জ্ঞানদীপক

ই-সংবাদ, ২৬ নৱেম্বৰঃ গুৱাহাটী মহানগৰীত শিক্ষাগ্ৰহণ কৰি থকাৰ লগতে নিজৰ খৰচ নিজেই উলিয়াবলৈ জমেটোত ডেলিভাৰী বয় হিচাপে কৰ্মৰত অৱস্থাত গুৱাহাটীৰ ফাঁচী বজাৰত আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাই বৰ্বৰভাৱে প্ৰহাৰ কৰা পিতৃহাৰা জ্ঞানদীপ হাজৰিকাক চাকৰি প্ৰদান কৰিছে মেঘালয়ৰ শেষাংশ ৪ পৃষ্ঠাত



## মণিপুৰ পুনৰ উত্তপ্ত, পথ অৱৰোধ

ইম্ফল, ২৬ নৱেম্বৰঃ মঙলবাৰে মণিপুৰৰ পশ্চিম ইম্ফলত এজন ৫৫ বছৰীয়া ব্যক্তি নিৰুদ্দেশ হোৱাত পুনৰ শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিন্দু ধৰ্মগুৰুক জেললৈ নিক্ষেপক লৈ

বাংলাদেশৰ সম্মিলিত সনাতন জাগৰণ জোটৰ মুখপাত্ৰ তথা ইস্কনৰ পুণ্ডাৰিক ধামৰ অধ্যক্ষ চিন্ময় কৃষ্ণ প্ৰভুক বাংলাদেশ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পিছতে দেশখনত সংখ্যালঘু লোকসকলৰ সুৰক্ষাক লৈ উদ্বেগ প্ৰকাশ কৰে ভাৰতে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে মঙলবাৰে এক বিবৃতিত কয় যে বাংলাদেশত সংখ্যালঘু লোকৰ ওপৰত আক্ৰমণ চলি থকাৰ মাজতে চিন্ময়ৰ বিৰুদ্ধে গ্ৰেপ্তাৰ আৰু দেশদ্ৰোহৰ অভিযোগ চিন্তনীয় বিষয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, 'আমি বাংলাদেশ চৰকাৰক অনুৰোধ কৰিছো যে সকলো সংখ্যালঘু সম্প্ৰদায়ৰ বিশেষকৈ হিন্দুসকলৰ সুৰক্ষা নিশ্চিত কৰক। একে সময়তে তেওঁলোকৰ শান্তিপূৰ্ণ প্ৰতিবাদ আৰু মত প্ৰকাশৰ অধিকাৰো সুৰক্ষিত কৰা উচিত।" ইফালে, মঙলবাৰে দিল্লীৰ বিধানসভাৰ বাহিৰত চিন্ময় কৃষ্ণ প্ৰভুক গ্ৰেপ্তাৰ আৰু বাংলাদেশত সংখ্যালঘু লোকৰ ওপৰত চলি থকা অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে বিজেপি বিধায়কসকলে। একে সময়তে বিয়লি বিৰোধী নেতা শুভেন্দু অধিকাৰীৰ নেতৃত্বত বেহালাত এক মাশাল শোভাযাত্ৰাৰ আয়োজন কৰা হয়। উল্লেখ্য যে, সোমবাৰে ঢাকা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে চিন্ময় কৃষ্ণ প্ৰভুক। তেওঁৰ বিৰুদ্ধে দেশদ্ৰোহৰ অভিযোগ উত্থাপন হৈছিল আৰু চট্টগ্ৰাম মহানগৰ দণ্ডাধীশ আদালতে তেওঁৰ জামিন আবেদন নাকচ কৰিছিল। বৰ্তমান তেওঁ ন্যায়িক জিম্মাত আছে। জিম্মাত থকা অৱস্থাত চিন্ময়ৰ সকলো ধৰ্মীয় অধিকাৰ সুৰক্ষিত কৰিব লাগে বুলি আদালতে নিৰ্দেশ দিয়ে। শেহতীয়াকৈ বাংলাদেশত সনাতনী জাগৰণ মঞ্চ আন্দোলনে গতি লাভ কৰাৰ সময়তে চিন্ময়ৰ গ্ৰেপ্তাৰৰ সৈতে জড়িত এই ঘটনা সংঘটিত হৈছে। চিন্ময় কৃষ্ণ প্ৰভুৱে এই মঞ্চৰ মুখপাত্ৰ হিচাপে সভাখনক আখ্যা দিয়ে। চট্টগ্ৰামত এক সমাৱেশৰ অন্তত স্থানীয় বিএনপিৰ এজন নেতাই তেওঁৰ বিৰুদ্ধে দেশদ্ৰোহৰ গোচৰ ৰুজু কৰে, আৰু সেই গোচৰত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। লক্ষণীয় যে, যোৱা ৫ আগষ্টত বাংলাদেশত শ্বেখ হাছিনাৰ চৰকাৰ পতনৰ পিছৰে পৰা সংখ্যালঘু লোকৰ ওপৰত নিৰ্যাতন বৃদ্ধি পাইছে। কেইবাটাও ধৰ্মীয় অনুষ্ঠান আৰু হোমষ্টে'ত আক্ৰমণ সংঘটিত হৈছে। যদিও নতুন অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছে সংখ্যালঘুসকলক সুৰক্ষা দি ধৰ্মীয় অধিকাৰ ৰক্ষা কৰিব বুলি বাৰে বাৰে আশ্বাস দি আহিছে, কিন্তু উগ্ৰ ধৰ্মীয় মৌলবাদী আৰু সংখ্যালঘুৰ ওপৰত আক্ৰমণৰ বিৰুদ্ধে চৰকাৰে কিমানখিনি ব্যৱস্থা ল'ব পাৰে সেই বিষয়ে বহুতে সন্দেহ প্ৰকাশ কৰিছে। দেশখনত সংখ্যালঘুসকল এতিয়া উদ্বিগ্ন হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবাৰ জ্বলিছে পাকিস্তান

সঁহাৰি জনাই সোমবাৰে ইছলামাবাদৰ ৰাজপথলৈ ওলাই আহিল হাজাৰ হাজাৰ লোক। পাকিস্তান চৰকাৰৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদী সমদল উলিয়াওৱাৰ সময়তে সোমবাৰে সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। এই সময়ত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত বহু প্ৰতিবাদকাৰী আহত হোৱাৰ লগতে পাঁচজন নিৰাপত্তাৰক্ষীও প্ৰতিবাদীৰ আক্ৰমণত নিহত হয়। ইফালে পৰিস্থিতিয়ে অধিক ভয়াবহ ৰূপ ধাৰণ কৰাত প্ৰতিবাদকাৰীৰ বিৰুদ্ধে দেখা মাত্ৰেই গুলীচালনাৰ নিৰ্দেশ জাৰি কৰে পাকিস্তান সেনাই। উল্লেখ্য যে, দেওবাৰে ইমৰানৰ পত্নী বুছৰা বিবিৰ নেতৃত্বত পাকিস্তান তেহৰিক-ই-ইনছাফৰ কৰ্মী আৰু সমৰ্থকে ইছলামবাগত প্ৰতিবাদ আৰম্ভ কৰে। সোমবাৰে সন্ধিয়া সমদলটো ইছলামবাদত উপস্থিত হয় আৰু প্ৰতিবাদকাৰীসকলে আৰু আগবাঢ়ি যোৱাৰ সিদ্ধান্ত লয়। ইয়াৰ পিছতে প্ৰতিবাদকাৰীক প্ৰতিহত কৰিবলৈ নামি পৰে সেনাবাহিনী। যাৰ ফলত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হয় একাংশ প্ৰতিবাদকাৰী। এই সময়ত প্ৰতিবাদকাৰীৰ গুলীত এজন আৰক্ষী বিষয়াৰ লগতে আন চাৰিজন নিৰাপত্তাৰক্ষী নিহত হয়। এই সংঘৰ্ষত বহু লোক আহত হয়, আৰু কেইবাখনো বাহন জ্বলি যায়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কন্দুৱা গেছ নিক্ষেপ কৰা হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পাক-সেনাই প্ৰতিবাদকাৰীক দেখা মাত্ৰেই গুলীচালনা কৰাৰ নিৰ্দেশ জাৰি কৰে। ইছলামবাদৰ আৰক্ষী অধীক্ষক উছমান আনোৱাৰে জনোৱা মতে, এজন আৰক্ষী বিষয়াক গুলীয়াই হত্যা কৰাৰ লগতে আন দুজন আৰক্ষী জোৱান সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। চৰকাৰী সূত্ৰ অনুসৰি এই পৰ্যন্ত ১১৯ জন লোক আহত হৈছে। ইছলামবাদৰ লগতে সমগ্ৰ পঞ্জাব প্ৰদেশত ২২খন আৰক্ষীৰ বাহন জ্বলাই দিয়ে প্ৰতিবাদকাৰীয়ে। ইমৰান খানৰ সমৰ্থকসকলে শ্ৰীনগৰ ঘাইপথৰ সমীপত গাড়ীৰে নিৰাপত্তাৰক্ষীক মহতিয়াই নিয়াত চাৰিজন নিৰাপত্তাৰক্ষী নিহত হয়। উল্লেখ্য যে, শেহতীয়াকৈ ইমৰানে জেলত থকা অৱস্থাত দেশৰ ডাঙৰ ডাঙৰ চহৰত প্ৰতিবাদৰ আহ্বান জনাইছিল। তেওঁৰ দলৰ নেতাসকলক অবৈধভাৱে গ্ৰেপ্তাৰ কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰি এই প্ৰতিবাদৰ আহ্বান জনায় ইমৰানে। ইয়াৰ উপৰিও শ্বাহবাজ শ্বৰীফৰ পিএমএল(এন) আৰু পিপিপি মিত্ৰজোঁটৰ চৰকাৰে নিৰ্বাচনী কৌশলেৰে ক্ষমতা দখল কৰা বুলি দাবী কৰাৰ লগতে সংবিধানৰ ২৬ সংখ্যক সংশোধনীৰ বিৰুদ্ধেও আপত্তি কৰে। ২৪ নৱেম্বৰত ইমৰানে নিজৰ দল আৰু সাধাৰণ জনতাক 'অন্তিম আহ্বান' দিছিল। ইয়াৰ পিছতে ৰাজধানী ইছলামবাদত দুমাহৰ বাবে ১৪৪ ধাৰা জাৰি কৰে পাকিস্তান চৰকাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেবিনেটত সিদ্ধান্ত! হোজাই নগৰৰ

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সংবাদমেল সম্বোধন কৰি কেবিনেটৰ সিদ্ধান্তসমূহ প্ৰকাশ কৰে। এই অনুযায়ী হোজাই নগৰৰ নতুন নাম 'শ্ৰীমন্ত শংকৰদেৱ নগৰ' কৰাৰ সিদ্ধান্ত লৈছে কেবিনেটে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই 'এক্স'ত পোষ্ট দি মন্ত্ৰীসভাই হোজাই জিলাৰ জিলা সদৰ শংকৰদেৱ নগৰৰ নাম সলনি কৰি 'শ্ৰীমন্ত শংকৰদেৱ নগৰ' ৰখাৰ সিদ্ধান্ত লোৱাৰ কথা সদৰী কৰিছে। আনহাতে, কেবিনেটে সতী ৰাধিকা স্মৃতি দিৱসত চৰকাৰী বন্ধ ঘোষণা কৰিছে। ২০২৫ বৰ্ষৰ চৰকাৰী বন্ধৰ তালিকা প্ৰকাশ কৰি নতুন বছৰত ৩৬ দিন বন্ধ থাকিব আৰু ৭টা সংৰক্ষিত বন্ধ সংযোগ কৰিছে। সতী ৰাধিকা স্মৃতি দিৱস ৰাজ্যিক বন্ধ, আলি-আয়ে-লৃগাঙৰ দিনটোত ১১খন জিলাত চৰকাৰী বন্ধ প্ৰযোজ্য কৰাৰ সিদ্ধান্ত লয়। কেবিনেটৰ সিদ্ধান্তক আদৰণি জনাইছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। কৈৱৰ্ত্ত নন্দিনী সতী ৰাধিকা স্মৃতি দিৱসত চৰকাৰী বন্ধ দিয়াৰ সিদ্ধান্ত লোৱাত মুখ্যমন্ত্ৰীৰ লগতে কেবিনেটৰ মন্ত্ৰীসকলক ধন্যবাদ তথা কৃতজ্ঞতা জনাইছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে মুখ্যমন্ত্ৰীয়ে এই সিদ্ধান্ত লোৱাত ধন্যবাদ জ্ঞাপন কৰি চৰকাৰীভাৱে ৰাধিকা স্মৃতি দিৱস পালনৰ আহ্বান জনাইছে। ইফালে, আজিৰ কেবিনেটে ৰাজ্যৰ ১০৮ মৃত্যুঞ্জয় সেৱালৈ ১১৫ কোটি টকা আবণ্টন দিয়াৰ সিদ্ধান্ত লয়। কৃষি বিপণনত কৰ্মৰত বিষয়া-কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰ গ্ৰহণতো অনুমোদন জনাইছে কেবিনেটে। ৰাজ্যৰ অসংখ্যা মাইক্ৰ' ফাইনেন্স ঋণগ্ৰস্ত মহিলাক সকাহ দিবলৈকো এক সিদ্ধান্ত গ্ৰহণ কৰিছে কেবিনেটে। মাইক্ৰ' ফাইনেন্সৰ ঋণগ্ৰস্তসকলৰ বাবে ২২৩.২৬ কোটি টকা মুকলি কৰি দিবলৈ অনুমোদন জনাইছে আজি অনুষ্ঠিত কেবিনেটে। ইয়াৰ ফলস্বৰূপে ৭৮,০৪৬ ঋণগ্ৰস্ত মহিলাই এই ধন লাভ কৰিবলৈ সমৰ্থ হ'ব বুলি জানিব পৰা গৈছে। মিছন বসুন্ধৰাক লৈয়ো কেবিনেটে বিশেষ সিদ্ধান্ত লৈছে। গুৱাহাটীৰ আবেদনকাৰীসকলক সকাহ দিবলৈ গুৱাহাটীত মাটিৰ আৱণ্টন লাভ কৰাসকলে ১০ শতাংশ প্ৰিমিয়াম দি আপত্তি মীমাংসা কৰিবলৈ সিদ্ধান্ত লয়। কিন্তু আৱণ্টিত মাটি যদি গৰাকীয়ে বিক্ৰী কৰে তেন্তে ৯০ শতাংশ প্ৰিমিয়াম পিছত আদায় দিব লাগিব বুলিও সিদ্ধান্ত লয় কেবিনেটে। ইফালে, এনেদৰে কেবিনেট পাতি ইখনৰ পিছত সিখন ঠাইৰ নাম সলনি কৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই ৰাজ্যৰ সচেতন মহলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংগালুৰুত হত্যাৰ বলি অসমৰ মায়া

এইবাৰ ঘটনা সংঘটিত হৈছে কৰ্ণাটকৰ ৰাজধানী বাংগালুৰুত। চাকৰিৰ সন্ধানত বাংগালুৰুৰ চিলিকন চিটিলৈ যোৱা অসমীয়া যুৱতীক হত্যা কৰা ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে অসম আৰু বাংগালুৰুত। কৰ্ণাটকৰ স্থানীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুযায়ী ব্যক্তিগত কোম্পানীত কাম কৰি থকা বাংগালুৰুৰ ইন্দিৰানগৰ অঞ্চলৰ এটা ছাৰ্ভিচ এপাৰ্টমেণ্টত অসমৰ ২৬ বছৰীয়া মায়া গগৈক হত্যা কৰা হৈছে। প্ৰায় তিনিদিন পূৰ্বে হত্যাকাণ্ড সংঘটিত হৈছে যদিও বহু পলমকৈ হত্যাকাণ্ডৰ কথা পোহৰলৈ আহিছে। মায়া গগৈক কেৰালাৰ কান্নুৰৰ বাসিন্দা প্ৰেমিক আৰৱ অনাই ছুৰীকাঘাত কৰি হত্যা কৰা বুলি প্ৰাথমিক তদন্তত সন্দেহ কৰা হৈছে। প্ৰেমিক আৰৱ অনা বৰ্তমান পলাতক। ৰয়েল লিভিংছ নামৰ এটা ছাৰ্ভিচ এপাৰ্টমেণ্টত উৎকট গোন্ধ ওলোৱাৰ পিছতে ইন্দিৰা নগৰ আৰক্ষীয়ে কোঠাত প্ৰৱেশ কৰাত মায়াৰ অৰ্ধগলিত শৰীৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে পোৱা তথ্য মতে, মায়াক হত্যা কৰি প্ৰেমিক আৰৱে মায়াৰ মৃতদেহৰ সৈতে কেবাঘণ্টা অতিবাহিত কৰিছিল। মৃতদেহৰ কাষতে ইটোৰ পিছত সিটো চিগাৰেট হুপিছিল। ইতিমধ্যে ঘটনাক লৈ আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। জানিব পৰা মতে, মায়া আৰু আৰৱে তিনিদিন ধৰি একেলগে আছিল ৰয়েল লিভিং চাৰ্ভিচ এপাৰ্টমেণ্টত। কিন্তু হঠাতে আৰৱ অন্তৰ্ধান হয়। তাৰ পিছতে কোঠাৰ পৰা দুৰ্গন্ধ ওলাবলৈ ধৰে। আৰক্ষীয়ে অনলাইনত অৰ্ডাৰ দিয়া নাইলনৰ তাঁৰ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। উক্ত তাঁৰেৰে ডিঙিত মেৰিয়াই আৰু ছুৰীকাঘাত কৰি হত্যা কৰাৰ সন্দেহ কৰা হৈছে। এয়া পৰিকল্পিত হত্যাকাণ্ড সংঘটিত হ'ব পাৰে বুলি স্থানীয় আৰক্ষীয়ে সন্দেহ কৰিছে। কেৰালাৰ বাসিন্দা আৰৱ অনয় আৰু অসমৰ মায়া গগৈয়ে বাংগালুৰুৰ প্ৰতিষ্ঠানত কাম কৰি থকাৰ সময়তে প্ৰথমে চিনাকি হয় আৰু তাৰ পিছতে দুয়োৰে মাজত প্ৰেম হয়। কেইদিনমানৰ ভিতৰতে দুয়োৰে মাজত গভীৰ সম্পৰ্ক গঢ়ি উঠে। দুয়োজনে নিজ নিজ ৰাজ্য এৰি বাংগালুৰুত প্ৰায়ে একলগে বসবাস কৰিবলৈ ধৰিছিল। চাৰি-পাঁচ দিন পূৰ্বে দুয়ো ইন্দিৰানগৰৰ ৰয়েল লিভিং এপাৰ্টমেণ্টলৈ আহিছিল। সন্দেহ কৰা মতে, তিনিদিন পূৰ্বে দুয়োৰে মাজত কোনো কথাক লৈ সংঘাত হৈছিল। কাজিয়াৰ সময়ত আৰৱে প্ৰেমিকা মায়াক চুৰিৰে হত্যা কৰি পলায়ন কৰে। হত্যাৰ তিনিদিন পিছত ঘৰৰ পৰা দুৰ্গন্ধ ওলোৱাত চুবুৰীয়াই আৰক্ষীক খবৰ দিয়ে। ইন্দিৰানগৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জানিব পৰা মতে, মায়া গগৈয়ে ২৩ নৱেম্বৰৰ আবেলি চাৰ্ভিচ এপাৰ্টমেণ্টত উপস্থিত হৈছিল। মায়াক ২৪ অক্টোবৰত হত্যাকাণ্ডটো সংঘটিত কৰাৰ সন্দেহ কৰা হৈছে। মায়াৰ আৰু আৰৱে একেলগে এপাৰ্টমেণ্ট প্ৰৱেশৰ কৰা সময়ৰ ফুটেজ চিচিটিভিত পোৱা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি মায়াৰ সম্পূৰ্ণ নাম হৈছে মায়া গগৈ ডেকা। গুৱাহাটী মহানগৰীৰ কৈলাশ নগৰৰ বাসিন্দা মায়াই সন্দিকৈ কলেজত অধ্যয়ন কৰি পৰৱৰ্তী সময়ত বাংগালুৰুলৈ যায়। বাংগালুৰুত থকা সময়ছোৱাত ইউটিউবত ব্লগিং কৰিবলৈকো আৰম্ভ কৰিছিল মায়াই। মায়াৰ ঘৰ গুৱাহাটীত বুলি জানিব পৰা গ'লেও এই বাতৰি যুগুতোৱা পৰ্যন্ত তেওঁৰ পৰিয়ালৰ বিষয়ে সবিশেষ জানিব পৰা হোৱা নাই। ইতিমধ্যে বাংগালুৰু আৰক্ষীয়ে অসম আৰক্ষীৰ সৈতে যোগাযোগ কৰি মায়াৰ পৰিয়ালৰ সন্ধান কৰা বুলি জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰ্থিক সাহায্য বিচাৰি ফেচবুকত পোষ্ট

সমৃদ্ধ কৰি ৰখা শিল্পী-সাহিত্যিকক অসমৰ সমাজ তথা চৰকাৰে কিমান গুৰুত্ব দিয়ে সেই কথা ওলাই পৰিছে। যাৰ বাবে এজন বিশিষ্ট শিল্পীয়ে দুই তিনিদশক ধৰি অৰ্জন কৰি স্বাভিমানক এফলীয়া কৰি সামাজিক মাধ্যমত অৰ্থ সাহায্য বিচাৰিবলৈ বাধ্য হৈছে। শিল্পী-সাহিত্যিকে জাতিক সমৃদ্ধ কৰিবলৈ কাম কৰাৰ ফলত পেটত গামোচা বান্ধিবলগীয়া হয়। মান-সন্মানৰ বাবে আৰ্থিক দুৰৱস্থাৰ কথা কাকোৰে ক'ব নোৱাৰি লঘোনে থাকিবলগীয়া হয়। তেনে অৱস্থাতে ৰাজ্যত শিল্পী-সাহিত্যিকৰ অৱস্থা কিমান তথৈবচ হৈ পৰিছে সেই কথা ৰাজ্যৰ এগৰাকী অগ্ৰণী বাঁহীবাদক দীপক শৰ্মাই আজি স্পষ্ট কৰিছে। ৰাজ্য চৰকাৰে সকলোৰে কল্যাণ কৰা বুলি জহাই ফুৰিলেও শিল্পী সাহিত্যিকৰ অৱস্থা যে নাজল-নাথল সেই কথা প্ৰতিপন্ন কৰিছে দীপক শৰ্মাই। খাদ্য-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিকে ধৰি বিভিন্ন কাৰণত মানুহৰ টকাৰ অভাৱ হোৱাৰ সময়তে আজি ৰাইজৰ পৰা অৰ্থ ভিক্ষা কৰিছে বিশিষ্ট বাঁহীবাদক দীপিক শৰ্মাই। দীপক শৰ্মাই কয় "বহু দিন বাঁহীৰ প্ৰগেমপাতি নাই। অলপ পইছাৰ অভাৱ হৈছে। ৰাইজে যদি অলপ সহায়ৰ হাত আগবঢ়াই মই আপোনাৰ প্ৰতি কৃতজ্ঞ থাকিম। শ্ৰদ্ধাৰে বাহীবাদক দীপক শৰ্মা। মোৰ 9864055400 নম্বৰত গুগল পে আছে"। এনেদৰে এগৰাকী বিশিষ্ট শিল্পীয়ে অৰ্থ সাহায্য বিচাৰিব লগা হোৱাটো চৰম দুৰ্ভাগ্যজনক। ৰাজ্য চৰকাৰে শিল্পীক পেন্সন দি বাঃ বাঃ লয় যদিও বিপদত পৰা শিল্পীক সহায় কৰিবলৈ আহৰি নাপায়। এইগৰাকী দীপক শৰ্মাই ২০২৩ চনৰ মে' মাহত ৰোগত আক্ৰান্ত হৈ চিকিসাৰ বাবে অৰ্থ নথকাত হাহাকাৰ কৰিছিল। গুৱাহাটীৰ দিছপুৰ হাস্পতালত চিকিৎসাধীন হোৱাত বৃক্ক আৰু হৃদযন্ত্ৰজনিত ৰোগত আক্ৰান্ত হৈছিল। সেই সময়ত বিভিন্ন লোকৰ সহায়ত উন্নত চিকিৎসাৰ বাবে হায়দৰাবাদ আৰু দিল্লীলৈ গৈছিল। এতিয়া সুস্থ হৈ উঠিছে যদিও আৰ্থিক দুৰৱস্থাই শিল্পীগৰাকীক অসহায় কৰি তুলিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিলাসীপাৰাৰ ৰাণীগঞ্জত গুলীয়াই ধন

নিয়াৰ উদ্দেশ্যে অস্ত্ৰধাৰীয়ে তাণ্ডৱ চলোৱাত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। তিনিজনীয়া দুৰ্বৃত্তৰ দলে নিৰ্বিচাৰ গুলীচালনা কৰি চিএছপি লুটি নিয়াৰ প্ৰয়াস কৰাত চৌদিশে তীব্ৰ আতংকৰ সৃষ্টি হয়। নিৰ্বিচাৰ গুলীৰ শব্দ শুনি বজাৰত সমৱেত লোকে দৌৰা-দৌৰি কৰাত হাহাকাৰ লাগে ৰাণীগঞ্জ বজাৰত। ৰাণীগঞ্জ বজাৰত থকা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ চিএছপিক লক্ষ্য কৰি দুৰ্বৃত্তই ধাৰাসাৰ গুলীবৰ্ষণ কৰাত গুলীবিদ্ধ হৈছে ৰাহেদুৰ ৰহমান, ৰতন ৰায় আৰু আব্দুল গফুৰ। তিনিওজনক ততাতৈয়াকৈ হাস্পতালত ভৰ্তি কৰোৱা হৈছে যদিও ৰাহেদুৰ ৰহমান আৰু ৰতন ৰায়ৰ অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ঘটনা সংঘটিত হোৱাৰ পিছতে সমগ্ৰ ৰাণীগঞ্জ এলেকাক ঘেৰি লৈছে আৰক্ষীয়ে। অস্ত্ৰধাৰী দুৰ্বৃত্তক ধৰিবলৈ জিলাখনৰ আৰক্ষীক এলাৰ্ট কৰা হৈছে। জানিব পৰা মতে, বাইকত অহা তিনি দুৰ্বৃত্তই ৰাণীগঞ্জ বজাৰস্থিত চিএছপি কেন্দ্ৰটোক লক্ষ্য কৰি অতৰ্কিতে নিৰ্বিচাৰ গুলীচালনা কৰিছিল। সেই সময়ত চিএছপিত আছিল স্বত্বাধিকাৰী ৰাহেদুৰ ৰহমান, ৰতন ৰায় আৰু আব্দুল গফুৰ। গুলীৰ শব্দ শুনি লুকাবলৈ প্ৰয়াস কৰিছিল যদিও লুকাবলৈ সক্ষম নহ'ল। তিনিওজনৰে দেহত কেইবাটাও গুলী লগাৰ সন্দেহ কৰা হৈছে। গুলী লগাৰ পিছতে চিঞৰ-বাখৰ কৰাত বাইকত অহা তিনি দুৰ্বৃত্তই এন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। তিনি দুৰ্বৃত্তৰ হাতত পিষ্টল আৰু একে ছিৰিজৰ বন্দুক থকাৰ সন্দেহ কৰা হৈছে। কিছু সময় পিছতে আৰক্ষীৰ দল উপস্থিত হৈ ৰাইজৰ সহযোগত তিনিওকে স্থানীয় হাস্পতালত ভৰ্তি কৰে যদিও ৰাহেদুৰ ৰহমান আৰু ৰতন ৰায়ৰ অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে চিকিৎসকে। ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষক উপস্থিতিত বৃহৎ আৰক্ষীৰ দলে তদন্ত আৰম্ভ কৰিছে যদিও নিশা ১২ বজালৈ কোনো দুৰ্বৃত্তক গেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে। ৰাণীগঞ্জ বজাৰস্থিত চিএছপিটোত নিতৌ কেইবা লাখ টকাৰ লেন-দেন হয়। টকা জমা টকাৰ সন্দেহত দুৰ্বৃত্তৰ দলে ধন লুটিবলৈ বাবে পূৰ্ব পৰিকল্পনা অনুসৰি অস্ত্ৰ হাতে হাতে লৈ আক্ৰমণ কৰাৰ সন্দেহ কৰা হৈছে। হঠাতে এনেদৰে অস্ত্ৰধাৰীয়ে হিন্দী ছবিৰ কায়দাৰে আক্ৰমণ কৰাত সমগ্ৰ নামনি অসমত আতংকৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউএছটিএমে চাকৰি দিলে জ্ঞানদীপক

ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় চমুকৈ ইউএছটিএমে। ২৫ নৱেম্বৰত ইউএছটিএমৰ চ্যান্সেলৰ মহবুবুল হকে জ্ঞানদীপ হাজৰিকাৰ সৈতে যোগাযোগ কৰি মেঘালয়ৰ ৰি-ভই জিলাস্থিত কাৰ্যালয়লৈ আমন্ত্ৰণ জনাইছিল। ২৫ নৱেম্বৰৰ পিছবেলা জ্ঞানদীপ হাজৰিকাই কাৰ্যালয়ত উপস্থিত হোৱাত গামোচা আৰু চকলেটৰ পেকেট প্ৰদান কৰি আদৰণি জনাই জ্ঞানদীপক। কথা-বাৰ্তাৰ মাজতে চ্যান্সেলৰ মহবুবুল হকে ইউএছটিএমত চাকৰি প্ৰদানৰ প্ৰস্তাৱ দিয়ে। জ্ঞানদীপক শাখা বিষয়া পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱ দিয়াত সেই প্ৰস্তাৱ গ্ৰহণ কৰে। জ্ঞানদীপ হাজৰিকাই আজিৰে পৰা ইউএছটিএমত শাখা বিষয়া হিচাপে যোগদান কৰিছে বুলি জানিব পৰা গৈছে। জ্ঞানদীপৰ মাহিলী দৰমহা ১৮ হাজৰৰ পৰা ২৫ হাজাৰৰ ভিতৰত হ'ব বুলি জানিব পৰা গৈছে। লগতে ইউএছটিএম এলেকাত থকা আৱাস লাভ কৰিব আৰক্ষীৰ দ্বাৰা প্ৰহৃত হোৱা যুৱকজনে। আজি সংবাদমাধ্যমৰ মুখামুখি হৈ জ্ঞানদীপ হাজৰিকাই মহবুবুল হকে তেওঁৰ সৈতে যোগাযোগ কৰাৰ কথা স্বীকাৰ কৰে। মহবুবুল হক মানুহজদন ভাল আৰু সংস্থাপন দিয়াত সুখী বুলি কয়। পিতৃৰ মৃত্যুত মাতৃয়ে চাকৰি পাইছে যদিও ঘৰখনক আৰু গুৱাহাটীত ভাড়া ঘৰত থকা যুৱকজনে কটন বিশ্ববিদ্যালয়ত পঢ়ি তকাৰ লগতে নিজেৰ খৰচ নিজে উলিয়াবলৈ জমেটত ডেলিভাৰী বয় হিচাপে কাম কৰি আছিল। ভুলবশত পাণবজাৰ আৰক্ষী থানা এলেকাৰ ফাঁচী বজাৰত ন-এণ্ট্ৰীত স্কুটী সোমাই নিয়াত অ'চি ভাৰ্গৱ বৰবৰাই বৰ্বৰভাৱে প্ৰহাৰ কৰিছিল যুৱকজনক। এই ঘটনাক লৈ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছিল। ফাঁচী বজাৰত অসম আৰক্ষীৰ বিষয়া ভাৰ্গৱ বৰবৰাই বৰ্বৰভাৱে প্ৰহাৰ কৰা জমেট ডেলিভাৰী বয় জ্ঞানদীপ হাজৰিকাক অৱশেষত সংস্থাপন দিয়াত মেঘালয়ৰ ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান ইউএছটিএমক সামাজিক মাধ্যম যোগে বহু লোকে ধন্যবাদ জ্ঞাপন কৰিছে। ইয়াৰ পূৰ্বেও শিলসাঁকোৰ উচ্ছেদৰ সময়ত দৰিদ্ৰ ঘৰৰ নিকুমণি কলিতা নামৰ কিশোৰ এজন ভাইৰেল হৈছিল। সেই কিশোৰজনৰ পৰিয়ালটোক ইউএছটিএম কৰ্তৃপক্ষই চাকৰি প্ৰদান কৰাৰ লগতে পৰিয়ালটোৰ দুই সন্তানক বিনামূলীয়াকৈ পঢ়োৱাৰ ব্যৱস্থা কৰে। ২০২৩ চনত মাৰ্চ মাহত গুৱাহাটীৰ শিলসাঁকোত চৰকাৰে থলুৱাক উচ্ছেদৰ সময়ত কলিতা জনগোষ্ঠীৰ কিশোৰ নিকুমণিয়ে আৰক্ষী এজনক কৈছিল 'অ' আংকল এতিয়াই আহিব নিদিবাচোন। আমাৰ ঘৰটো খালী কৰা হোৱা নাই, ১০ মিনিটমান দেৰীকৈ হ'ব'। নিকুমণিয়ে ঠোকা-ঠুকি মাতেৰে কোৱা এই কথাত মানুহে ফেকুৰি উঠিছিল। তাৰ পিছতে ইউএছটিএম কৰ্তৃপক্ষই পৰিয়ালটোৰ দুই সন্তানক বিনামূলীকায়েক পঢ়োৱাৰ ব্যৱস্তা কৰিছিল আৰু পিতৃ-মাতৃক চাকৰি প্ৰদান কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকক আক্ৰমণ

অভিযোগ উঠিছে। নিশা প্ৰায় ৯ বজাত মানকাচৰ জে এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত মানকাচৰৰ সাংবাদিক মিজানুৰ আৰু শ্বাহিনক আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, বিদ্যালয়খনৰ সমীপত কেইজনমান বন্ধুৰ সৈতে কথা পাতি আছিল মিজানুৰ আৰু শ্বাহিন। তেনে অৱস্থাতে এএছ-০১-ইকে-৬১২৬ নম্বৰৰ বলেৰ'ত অহা দুৰ্বৃত্ত তুষাৰ আলম, ৰচেল আহমেদ আৰু মোস্তাক মহম্মদ মোকছদুৰ ৰহমানে গাড়ীৰ পৰা ৰড উলিয়াই দুয়োজনকে অতৰ্কিতে আক্ৰমণ কৰে। ইয়াৰে তুষাৰ আলমে নিজকে সাংবাদিক বুলি পৰিচয় দি ফুৰাৰ লগতে মোস্তাক মহম্মদ মোকছদুৰ ৰহমান আপৰ নেতা বুলি জানিব পৰা গৈছে। ৰাইজৰ তৎপৰতাত মিজানুৰ আৰু শ্বাহিনৰ প্ৰাণ ৰক্ষা পৰে। মানকাচৰ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি বলেৰ' খন জব্দ কৰাৰ লগতে তিনি দুৰ্বৃত্তই পলায়ন দৌৰি কৰিবলৈ সক্ষম হয়। আপ নেতা আৰু তথাকথিত সাংবাদিক তুষাৰ আলম, মোস্তাক মহম্মদ মোকছদুৰ ৰহমান ২ কোটি টকীয়া পথ নিৰ্মাণত দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ আনিছিল আমছুৰে। সাংবাদিক মিজানুৰে বাতৰি সম্প্ৰচাৰ কৰাত গুণ্ডাৰূপী সাংবাদিক আৰু আপ নেতাই মিজানুৰ আৰু শ্বাহিনক আক্ৰমণ কৰি হত্যাৰ প্ৰয়াস কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজ তথা সাংবাদিক সমাজে সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিবলৈ দাবী উত্থাপন কৰিছে। ঘটনাটোৱে সমগ্ৰ জিলাখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'শ্ৰীভূমি'ৰ শ্ৰীহানি কৰিলে স্বপন দাসে

জিলা আৰু কৰিমগঞ্জ চহৰৰ নাম সলনি কৰি শ্ৰীভূমি কৰাত তীব্ৰ চৰ্চা অব্যাহত থকাৰ সময়তে শ্ৰীভূমি মৰ্য্যদা লাঘৱ কৰিলে অসম আৰক্ষীৰ লেন্স নায়ক স্বপন দাসে। নতুনকৈ শ্ৰীভূমি নাম পোৱা শ্ৰীভূমি সদৰ আৰক্ষী থানাত লেন্স নায়ক স্বপন দাসক দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰিছে। অভিযোগ মতে, লেন্স নায়ক স্বপন দাসে শ্ৰীভূমি সদৰ আৰক্ষী থানাত দীৰ্ঘ দিনৰ পৰাই গোচৰৰ নামত বজাৰ বহুৱাই আহিছে। তাৰ মাজতে আজি শ্ৰীভূমি সদৰ আৰক্ষী থানাত অভিযান চলাই দুৰ্নীতি নিবাৰক শাখাই। এগৰাকী লোকক উৎকোচ লৈ জামিন দিবলৈ মান্তি হৈছিল। আজি আছিল টকাখিনি দিয়াৰ দিন। লোকজনে গোপনে দুৰ্নীতি নিবাৰক শাখাই সেই কথা অৱগত কৰে। দুৰ্নীতি নিবাৰক শাখাৰ এটা দলৰ সন্মুখতে শ্ৰীভূমি চহৰত উৎকোচ লৈ থকাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাই দাসক গ্ৰেপ্তাৰ কৰে। জামিন দিবলৈ পৰা ঘোচ লোৱাৰ সময়ত হাত দাঙে শ্ৰীভূমি সদৰ আৰক্ষী থানাৰ লেন্স নায়ক স্বপন দাসে। ৱাৰেণ্ট কাৰ্যকৰী কৰিবলৈ উৎকোচ গ্ৰহণৰ সময়ত স্বপন দাসক গ্ৰেপ্তাৰ কৰাত শ্ৰীভূমিত চাঞ্চল্যৰ সৃষ্টি হৈছে। কৰিমগঞ্জ চহৰক শ্ৰীভূমি কৰাৰ পিছতে প্ৰথমটো চৰ্চিত কাণ্ড সংঘটিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰ পুনৰ উত্তপ্ত, পথ অৱৰোধ

উত্তেজনা বৃদ্ধি পাইছে। সন্ধানহীন ব্যক্তিজনক লাইশ্ৰাম কমলাবাবু সিং বুলি চিনাক্ত কৰা হৈছে। তেওঁ সোমবাৰে আবেলি কাংপোকপি লেইমাখং সেনা শিবিৰত কাম কৰিবলৈ ঘৰৰ পৰা ওলাই গৈ সন্ধানহীন হৈ আছে। তেওঁৰ ম'বাইল ফোনটোও বন্ধ হৈ আছে। সেনা শিবিৰত মেনুৱেল চাকৰিত কাম কৰিছিল। আৰক্ষী আৰু সেনাই কমলাবাবুক বিচাৰি তালাচী অভিযান চলাই আছে। মঙলবাৰে, বহু সংখ্যক লোকে কমলাবাবুক বিচাৰি লেইমাখংলৈ গৈ আছিল। কিন্তু আৰক্ষীয়ে ৰাইজক কাণ্টো চাবল নামৰ টাইত আগভেটা দি উভতাই পঠিয়াই। ইয়াৰ পিছতে জনতা উত্তেজিত হৈ পৰে আৰু পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। ৰাইজে শীঘ্ৰে সিঙক উদ্ধাৰ কৰিবলৈ দাবী জনাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খৰালিতে সম্পূৰ্ণ হৈ উঠিব উজনিৰ

আৰোপ নকৰি খলা-বামা কৰি ৰখাত উজনিত এতিয়া মৃত্যুদূতত পৰিণত হৈছে ৰাষ্ট্ৰীয় ঘাইপথ। পথছোৱাত প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ অহাত কেবাগৰাকী লোকে প্ৰাণ হেৰুৱাইছে। এজাক বৰষুণত বোকা-পানীৰে ভৰি পৰা পথটোত গাড়ী-মটৰ দূৰৰে কথা খোজকাঢ়িব যাবলৈকো এহেজাৰ বাৰ ভাবিবলগীয়া হয়। পুখুৰী সদৃশ গাঁতেৰে ভৰি থকা পথটো কেইবাটাও বছৰ ধৰি নিৰ্মাণ সমাপ্ত কৰিব নোৱাৰাত হাজাৰ হাজাৰ যাত্ৰীয়ে যমৰ-যাতনা ভুগি আহিছে। অসম চৰকাৰে বাৰে বাৰে ঘাইপথটো নিৰ্মাণৰ বাবে হেঁচা দিছিল যদিও ঠিকাদাৰে গুৰুত্ব নিদি পথটো আধৰুৱা কৰি থৈ সকলোকে নগুৰ-নাকটি কৰি আহিছে। গাড়ী-মটৰ চলাব পৰাৰ পৰিৱেশ নোহোৱা হৈ পৰা ঘাইপথটোৰ নিৰ্মাণ খৰতকীয়া কৰিবলৈ বিভিন্ন দল-সংগঠনে একাধিকবাৰ দাবী উত্থাপন কৰি অহা দেখা গৈছে। ২২ অক্টোবৰত অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদে ঘাইপথটোত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ তৎপৰ হৈ পৰিবলৈ বাধ্য হয়। যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বই কেইবা হাজাৰ লোকক লৈ ৰাজপথলৈ ওলাই অহাত টোপনিৰ পৰা সাৰ পায় বিজেপি দল আৰু চৰকাৰ। ২৩ অক্টোবৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুই কেন্দ্ৰীয় মন্ত্ৰী আৰু কেইবাগৰাকী সাংসদক লগত লৈ কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে আলোচনাত মিলিত হৈ পথটো নিৰ্মাণত কেন্দ্ৰৰ হস্তক্ষেপ দাবী কৰিছিল। মুখ্যমন্ত্ৰীৰ আহ্বানৰ পিছতে অৱশেষত কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ কৰি পথটো নিৰ্মাণ খৰতকীয়া কৰিবলৈ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। বহু পলমকৈ হলেও প্ৰায় চাৰিখন জিলাৰ নাগৰিকৰ লগতে চুবুৰীয়া ৰাজ্যৰ নাগৰিকৰ বাবে ভাল খবৰ কঢ়িয়াই আনিছে কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে। গাডকাৰীয়ে পথটো খৰালিতে নিৰ্মাণ সমাপ্ত কৰিবলৈ কাঢ়া নিৰ্দেশ দিছে। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে পত্ৰযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পথটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিছে। পত্ৰখনত উল্লেখ কৰা মতে, যোৰহাট-ডিব্ৰুগড় ঘাইপথৰ আধৰুৱা কাম সম্পূৰ্ণ কৰিব ১১জন ঠিকাদাৰে। পত্ৰ মতে, উক্ত পথছোৱাত ৯টা ভিয়েকুলাৰ আণ্ডাৰপাছ, ৬টা পেডেষ্ট্ৰেইন আণ্ডাৰপাছ আৰু এখন উৰণীয়া সেঁতু নিৰ্মাণ কৰা হ'ব। পত্ৰখনত ঘাইপথটো নিৰ্মাণৰ ক্ষেত্ৰত সামগ্ৰীৰ অভাৱৰ কথা উল্লেখ কৰা হৈছে। সামগ্ৰীৰ অভাৱ এক প্ৰত্যাহ্বান বুলি কোৱা হৈছে। ঘাইপথটো নিৰ্মাণৰ বাবে ১২ লাখ ঘনমিটাৰ মাটি, ১২ লাখ ঘনমিটাৰ বালি, ৫ লাখ মেট্ৰিক টন শিলৰ প্ৰয়োজন। এই সামগ্ৰীৰ যোগান লাভ কৰাতো প্ৰত্যাহ্বান যদিও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক কঠোৰ নিৰ্দেশ দি শীঘ্ৰে পথৰ নিৰ্মাণৰ কাম সমাপ্ত কৰিবলৈ নিৰ্দেশ দিছে। ইপিনে পত্ৰ লাভৰ পিছতে সোনকালে ঘাইপথটোৰ কাম সম্পূৰ্ণ হ'ব বুলি আশাবাদী হৈ পৰিছে মুখ্যমন্ত্ৰী। প্ৰকল্পটো ক্ষিপ্ৰ কৰাৰ বাবে পদক্ষেপ লোৱাত কৃতজ্ঞতা জ্ঞাপন কৰে নীতিন গাডকাৰীক। উল্লেখ্য যে, উজনি অসমৰ পথ-পৰিবহন ব্যৱস্থা পয়া লগা হৈ থকাৰ সময়তে যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কাম প্ৰহসনত পৰিণত হৈছিল। যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কামে কেন্দ্ৰ আৰু ৰাজ্যত চৰকাৰ চলাই থকা বিজেপি দলৰ কামৰ নমুনা প্ৰকট কৰিছিল। যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কাম বাৰে বাৰে বন্ধ কৰি ৰখা হৈছিল। বৃহৎ বৃহৎ গাঁতেৰে ভৰি পৰা যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথত গাড়ী-মটৰ চলাব পৰা পৰিৱেশ নাই। মানুহে ঘাই পথটোৰে গাড়ীত বহি এঘণ্টা যাত্ৰা কৰিলেই কঁকালৰ বিষত ভুগিবলগীয়া হৈ আহিছে। নিতৌ সংঘটিত হৈছে দুৰ্ঘটনা। যোৰহাট-ডিব্ৰুগড় ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কামে জ্বলা-কলা খুৱাইছে ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, জিলাৰ লক্ষ লক্ষ লোকক। অসমৰ দুই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, কেইবাগৰাকী সাংসদক লগত লৈ ২৩ অক্টোবৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে আলোচনাত মিলিত হৈছিল। ইফালে, ঘাইপথটোক লৈ চৰকাৰৰ ল'ৰা-ধেমালিত বিতুষ্ট হৈ পৰিছে উজনিবাসী। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ বিজেপিৰ বাবে মুৰৰ কামোৰণি হৈ পৰিছে। সততে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কাম-কাজ লেহেমীয়া আছিল বুলি দাবী কৰি অহা বিজেপি চৰকাৰখনত উজনিৰ দুগৰাকীকৈ কেন্দ্ৰীয় মন্ত্ৰী, দলটোৰ কেইবাগৰাকী সাংসদ থকাৰ পিছতো এটা ঘাইপথৰ কেইবাবছৰে নিৰ্মাণ সমাপ্ত কৰিব নোৱৰাত ৰাইজে অতিষ্ঠ হৈ সামাজিক মাধ্যমযোগে চৰকাৰক ভৎৰ্সনা কৰি আহিছে। বিগত লোকসভা নিৰ্বাচনত যোৰহাট সংসদীয় সমষ্টিত বিজেপিয়ে সৰ্বশক্তি প্ৰয়োগ কৰিও জয়ী হ'ব নোৱৰাৰ এয়াও এক কাৰণ বুলি চৰ্চা হয়। আনহে নালাগে, মাজুলী সংযোগী দলংখনক লৈ বিজেপি দলে কৰা ল'ৰা-ধেমালিয়েও মানুহক ভীষণ যন্ত্ৰণা দি আহিছে। দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাত মাজুলীবাসীয়ে স্বস্তিৰ নিশ্বাস লৈছিল। ভাবিছিল ২০২৫ চনৰ পৰা আধাঘণ্টাৰ ভিতৰতে বহিঃজগতৰ সৈতে যোগযোগ কৰিব পাৰিব। কিন্তু চৰকাৰে মাজুলীবাসীৰ আশাত বেত্ৰাঘাত কৰি অত্যন্ত লেহেমীয়া গতিত আগবাঢ়িল নিৰ্মাণৰ কাম। মুখ্য খুঁটাকেইটা আজিলৈকে নিৰ্মাণ কৰা নহ'ল। ব্যাপক খাম-খেয়ালিৰ বাবে যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য বিগত প্ৰায় ৪ মাহ ধৰি বন্ধ হৈ আছে। চৰকাৰে মাজুলীবাসীক আশ্বাস দি আহিছে যদিও সকলো অসাৰ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূপেন বৰাৰ নাই কোনো ফেনক্লাব

হেনো কোনো ফেনক্লাব নাই। ফেনক্লাব কেন্দ্ৰিক এক বিতৰ্কৰ মাজত সোমাই পৰাৰ পিছতে এই সন্দৰ্ভত স্পষ্টীকৰণ প্ৰদান কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। এক বিবৃতিত ভূপেন বৰাই কয় যে, বিহালীৰ উপ-নিৰ্বাচনৰ ফলাফলক কেন্দ্ৰ কৰি 'ফেন ক্লাৱ'ৰ নামত যি পত্ৰ সামাজিক মাধ্যমত বিজেপিৰ একাংশ লোকে প্ৰচলন কৰি আছে সেয়া মুঠেই সত্য নহয়। কিয়নো তেওঁৰ নামত কোনো ফেনক্লাব নাই। কোনোৱে সম্পূৰ্ণ অভিসন্ধিমূলকভাৱে সস্তীয়া ৰাজনীতিৰ বাবে এনে কাৰ্য কৰিছে বুলিও বৰাই আজি এক বিবৃতিযোগে দাবী কৰে। বিবৃতিটোত বৰাই কয় যে তেওঁৰ কোনো 'ফেন ক্লাৱ' নাই আৰু 'ফেন ক্লাৱ' গঠন কৰিবলৈ কাকো অনুমতিও প্ৰদান কৰা নাই। 'ফেন ক্লাৱ'ৰ নামত কোনো বৈঠক অনুষ্ঠিত কৰাৰ নজিৰ নাই আৰু ভৱিষ্যতেও ফেন ক্লাৱ গঠনৰ কোনো পৰিকল্পনা নাই বুলিও বৰাই স্পষ্ট কৰি দিয়ে। এনেধৰণৰ সস্তীয়া আৰু নিকৃষ্ট ৰাজনীতিয়ে তেওঁক কেতিয়াও বিচলিত কৰিব নোৱাৰে বুলি উল্লেখ কৰি বৰাই কয় যে তেওঁ অসম আৰু অসমবাসীৰ স্বাৰ্থ ৰক্ষাৰ বাবে নিৰৱিচ্ছিন্নভাৱে আপোচবিহীন সংগ্ৰাম অব্যাহত ৰাখিছে। ফেনক্লাব জাতীয় এনেবোৰ অপপ্ৰচাৰে জাতিৰ স্বাৰ্থত নিজকে উৎসৰ্গিত কৰিবলৈ তেওঁৰ যি মানসিকতা আছে সেই মানসিকতাক অধিক দৃঢ় কৰি তুলিছে বুলিও বৰাই কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মধ্য প্ৰদেশত বিস্ফোৰণ, নিহত ৪

চাৰিজন লোক নিহত হোৱাৰ লগতে গুৰুতৰভাৱে আহত হয় আন ৫ জনকৈ লোক। মধ্যপ্ৰদেশৰ মৰেনা জিলাত সোমবাৰে মাজনিশা সংঘটিত হয় এই বিস্ফোৰণ কাণ্ড। জিলাখনৰ ৰাথোৰ কলনী অঞ্চলত সোমবাৰে নিশা প্ৰায় ১২:৩০ বজাত হঠাতে এক প্ৰচণ্ড শব্দই চৌপাশ কঁপাই তোলে। এই বিস্ফোৰণৰ প্ৰভাৱত তিনিটা ঘৰ সম্পূৰ্ণৰূপে ধ্বংস হয়। বিস্ফোৰণ কাণ্ডৰ পিছতে ঘটনাস্থলীত উদ্ধাৰকাৰী দল আৰু আৰক্ষী উপস্থিত হৈ ধ্বংসাৱশেষৰ তলৰ পৰা চাৰিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰে। একে সময়তে উদ্ধাৰকাৰী দলে আহত সকলক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। স্থানীয় ৰাইজৰ মতে, বিস্ফোৰণৰ মূল উৎস আছিল ৰাথোৰ কলনীৰ এটা ঘৰ, যাৰ ফলত চুবুৰীয়া দুটা ঘৰো ভাঙি যায়। মৰেনা চহৰৰ আৰক্ষী অধীক্ষক ৰবি সোণাৰে কয় যে ধ্বংসাৱশেষৰ মাজৰ পৰা এগৰাকী মহিলাসহ চাৰিজনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৰেনা আৰক্ষী বিষয়া সমীৰ সৌৰভে কয় যে বিস্ফোৰণৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও বিস্ফোৰণস্থলীৰ পৰা এটা অক্ষত ৰন্ধন গেছৰ চিলিণ্ডাৰ উদ্ধাৰ কৰা হৈছে। চিলিণ্ডাৰ বিস্ফোৰণৰ ফলতে এই ভয়াবহ ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে।



ৰঙিয়াত অনুষ্ঠিত এছবিআইৰ ডিজিটেল মাধ্যমৰ ব্যৱহাৰিক গ্ৰাহক সজাগতা সভাৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, ৰঙিয়া

## দেখিও নেদেখাৰ ভাও শিক্ষা বিভাগৰ, বিপদত শতাধিক শিক্ষাৰ্থী

# অবৈধ স্কুলক লৈ দলগাঁৱত বৃহৎ বজাৰ

**ই-সংবাদ, দলগাওঁ, ২৬ নৱেম্বৰঃ** দলগাঁৱত অব্যাহত আছে বৈধ-অবৈধ বিদ্যালয়ৰ খেল। চৰকাৰী স্কুলৰ দৰেই বৈধ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে সকলো বিভাগীয় আদেশমতে ছাত্ৰ-ছাত্ৰীৰ আপাৰৰ কাম ক্ষিপ্ৰতাৰে কৰি গৈছে যদিও অবৈধ স্কুলসমূহে চৰকাৰক প্ৰয়োজনীয় তথ্য যোগানত ব্যৰ্থ হোৱাৰ বিষয়টো অত্যন্ত ৰহস্যজনকভাৱে এৰাই চলাত জিলা আয়ুক্তৰ DA/TT/QSE/618 নং নিৰ্দেশ অনুসৰি শেষাংশ ৯ পৃষ্ঠাত

# তিনি ধৰ্ষণকাৰীক বিচাৰি চিকাৰীভেঁটীত আৰক্ষীৰ অভিযান

## আৰক্ষীৰ ব্যৰ্থতাক লৈ দল-সংগঠনৰ ক্ষোভ

**ই-সংবাদ, শিৱসাগৰ, ২৬ নৱেম্বৰঃ** শিৱসাগৰ ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত চিকাৰী ভেঁটীত সংঘটিত ভয়ংকৰ দলবদ্ধ অপহৰণ আৰু ধৰ্ষণ কাণ্ডক লৈ সমগ্ৰ উজনি অসমত অব্যাহত আছে প্ৰতিক্ৰিয়া। এগাৰাকী নৱম শ্ৰেণীত অধ্যয়নৰত মেধাৱী ছাত্ৰী তথা টাংচুডুত বিশেষ সুনাম অৰ্জন কৰা ১৬ বছৰীয়া কিশোৰীক অপহৰণ কৰি নি দলবদ্ধ ধৰ্ষণ কৰা তিনি নৰপিশাচক ঘটনা সংঘটিত হোৱাৰ চাৰিটা দিন উকলি যোৱাৰ পিছতো ডিমৌ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম নোহোৱাৰ ঘটনাক লৈয়েই শেষাংশ ৮ পৃষ্ঠাত

# ১২০ গৰাকীতকৈ অধিক বিদেশী পৰ্যটকৰ শিৱসাগৰ ভ্ৰমণ

**ই-সংবাদ, শিৱসাগৰ, ২৬ নৱেম্বৰঃ** কাজিৰঙাত আজিৰে পৰা আৰম্ভ হোৱা দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মাৰ্টৰ অংশ হিচাপে আজি উদ্যোগী, চৰকাৰী সংস্থা, প্ৰভাৱশালী ব্যক্তি, টুৰ অপাৰেটৰ, ছ'চিয়েল মিডিয়া ইনফ্লুৱেন্সাৰ, দেশী-বিদেশী পৰ্যটক আৰু অন্যান্য অংশীদাৰৰ এটা শেষাংশ ১০ পৃষ্ঠাত



খাৰ্গে-ৰাহুল-প্ৰিয়ংকাক সাক্ষাৎ হেমন্ত-কল্পনাৰ, শপত গ্ৰহণলৈ নিমন্ত্ৰণ

# সংবিধান মানি দেশ চলাই আহিছে বুলি দাবী প্ৰধানমন্ত্ৰী মোদীৰ

**নতুন দিল্লী, ২৬ নৱেম্বৰঃ** দেশজুৰি আজি পালন কৰা হয় 'সংবিধান দিৱস'। ভাৰতৰ গণতন্ত্ৰৰ মূল ভেটি সংবিধানৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰি আজি উচ্চতম ন্যায়ালয়ৰ চৌহদত আয়োজন কৰা 'সংবিধান দিৱস' অনুষ্ঠানত অংশ লৈ শেষাংশ ৯ পৃষ্ঠাত

# নলবাৰীৰ ৰাস মহোৎসৱত বিশেষ প্ৰদৰ্শনীলৈ সঁহাৰি

**ই-সংবাদ, নলবাৰী, ২৬ নৱেম্বৰঃ** নলবাৰীৰ হৰি মন্দিৰত ৯১ সংখ্যক ৰাস মহোৎসৱত প্ৰজ্ঞাৰ দ্বাৰা নিবেদিত অখণ্ড ভাৰত পৰিক্ৰমা আৰু ভাৰতবৰ্ষৰ ঐতিহ্য আৰু গৌৰৱ গাথাৰ ৫১২৬ প্ৰদৰ্শনী আজি সন্ধিয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসমৰ শেষাংশ ৭ পৃষ্ঠাত

# মাটিৰ দালালৰ বিৰুদ্ধে একত্ৰিত লাহৰীঘাটবাসী

**ই-সংবাদ, লাহৰীঘাট, ২৬ নৱেম্বৰঃ** যি সময়ত বিজেপি নেতৃত্বাধীন চৰকাৰে দালালৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে, সেই সময়তেই লাহৰীঘাটত দালালৰ বিৰুদ্ধে ওলাই আহিছে ৰাইজ। লাহৰীঘাটত মাটিৰ দালালৰ বিৰুদ্ধে ৰাইজে শেষাংশ ৮ পৃষ্ঠাত

## বিশেষ কাব্যগ্ৰন্থ উন্মোচন

# গুইজানত 'জুৰা'ৰ সভা সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ২৬ নৱেম্বৰঃ** জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, চমুকৈ 'জুৰা'ৰ এখন ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা তিনিচুকীয়াৰ ডিব্ৰু নৈৰ কাষৰ গুইজানৰ 'বনশ্ৰী ৰিজৰ্ট'ত সোমবাৰে তিনিচুকীয়া শেষাংশ ১০ পৃষ্ঠাত

# মাজুলীৰ দলং কেতিয়ালৈ? গাডকাৰীক সাক্ষাৎ সত্ৰাধিকাৰৰ

**ই-সংবাদ, মাজুলী, ২৬ নৱেম্বৰঃ** এতিয়া মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মানস্থলী দাক্ষিণপাট অংশত শুনিবলৈ পাব কেৱল বিকট শব্দ। এনে শব্দ শুনি বহুতেই দলংখনৰ কাম পুনৰ আৰম্ভ হোৱা বুলি ভাবি লৈছে যদিও কথাটো পিছে তেনে নহয়। নিৰ্মাণৰ বাবে নহয়, তেওঁলোকৰ তৎপৰতা বাঢ়িছে দলংখন নিৰ্মাণ কৰি থকা অৱস্থাত ব্যৱহাৰ কৰি থকা সা-সৰঞ্জাম লৈ যাবৰ বাবেহে। এপদ এপদকৈ সামগ্ৰী খোলাতহে এতিয়া ব্যস্ত হৈছে



বিআৰচি কোম্পানীৰ শ্ৰমিক। দলঙৰ পৰা কোম্পানীটোৱে নিজা সামগ্ৰী খুলিছে আৰু গাড়ীত ভৰাই নিজৰ গন্তব্য স্থানলৈ লৈ যোৱা দেখিবলৈ পোৱা গৈছে। এতিয়া মাজুলীবাসীৰ মাজত প্ৰশ্ন উঠিছে উপ-ঠিকা শেষাংশ ৮ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোটি কোটি টকা লুণ্ঠন কৰা ৩

বৃহৎ কেলেংকাৰি চলি আছিল আৰু কেলেংকাৰিত অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পিছতো জামিন লাভৰ বাবে সুবিধা কৰি দিয়া হ'ল নেকি? এই চৰ্চাই এতিয়া অধিক গতি পাইছে। অসমৰ খাটি খোৱা ৰাইজৰ শ শ কোটি টকা লুণ্ঠন চলাই বিশাল ফুকন, স্বপ্নীল দাস আৰু তাৰ্কিক বৰাই বিলাসী জীৱন কটাই শেষ মুহূৰ্তত গ্ৰেপ্তাৰ হৈয়ো প্ৰভাৱশালী পক্ষক মেনেজ কৰিবলৈ সক্ষম হোৱা বুলি চৰ্চা চলি থকাৰ সময়তে আজি তিনিওজনে জামিন লাভ কৰিছে। যি অসম আৰক্ষীয়ে বৰ্ষাশ্ৰী বুঢ়াগোঁহাইৰ দৰে মেধাৱী এগৰাকী ছাত্ৰীক এটা কবিতা লিখাৰ বাবেই জামিনবিহীন গোচৰত গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল আৰু দীৰ্ঘদিন জেলত থকাৰ পিছত জেলৰ পৰাই পৰীক্ষা দিবলগীয়া হৈছিল সেই একেই অসম আৰক্ষীয়ে এতিয়া সোপাটিলা নীতি অৱলম্বন কৰা বাবেই গ্ৰেপ্তাৰ হোৱা সত্বেও জামিন লাভ কৰিবলৈ সমৰ্থ হৈছে কোটি কোটি টকা আত্মসাৎ কৰা বিশাল, স্বপ্নীলৰ দৰে মহা প্ৰৱঞ্চক। বৰ্ষাশ্ৰীৰ বিৰুদ্ধে অভিযোগ আছিল, সামাজিক মাধ্যমত তেওঁ 'স্বাধীন সুৰুযৰ দিশে আকৌ এখোজ, আকৌ কৰিম ৰাষ্ট্ৰদ্ৰোহ' শীৰ্ষক এটি কবিতা লিখি ৰাজহুৱা কৰিছিল। কবিতা লিখা ছোৱালীলৈ ভয় কৰা আৰক্ষীয়ে কিন্তু দালাল আৰু প্ৰৱঞ্চকক জামিন লাভৰ পথ প্ৰশস্ত কৰি দিছে বুলি অভিযোগ উঠিছে। মুখ্যত তদন্তকাৰী সংস্থা চিবিআইয়ে চাৰ্জশ্বিট দাখিলত ব্যৰ্থ হোৱাৰ বাবেই কোটি কোটি টকাৰ ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰা তিনি মুখ্য অভিযুক্তই জামিন লাভ কৰিছে। ট্ৰেডিং কেলেংকাৰিৰ অন্যতম অভিযুক্ত বিশাল ফুকনসহ ৫ জনক আজি জামিন প্ৰদান কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে। বিশালৰ লগতে চুমি বৰাৰ স্বামী তাৰ্কিক বৰা আৰু স্বপ্নীল দাসৰো জামিন মঞ্জুৰ কৰা হৈছে। জামিন লাভ কৰা বাকী দুজন হৈছে জিতেন ডেকা আৰু অভিজিত ছন্দা। অসম আৰক্ষীৰ লগতে চিবিআইয়ে নিৰ্ধাৰিত সময়ত অভিযোগনামা দাখিল কৰিব নোৱাৰাৰ বাবেই ট্ৰেডিং কেলেংকাৰীৰ অন্যতম অভিযুক্ত বিশাল ফুকন, স্বপ্নীল দাস আৰু তাৰ্কিক বৰাই জামিন লাভ কৰিছে বুলি চৰ্চিত হৈছে। এই সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে কয়, "এই সন্দৰ্ভত আদালতৰ কোনো আনুষ্ঠানিক নিৰ্দেশৰ কপি আমাৰ হাতত পৰা নাই। গতিকে এই সন্দৰ্ভত এতিয়া এই কথা ক'ব পৰা নাযাব।" তেওঁ লগতে কয় যে জিতেন ডেকাক অসুস্থতাৰ বাবে আদালতে জামিন দিছে। বিশাল ফুকনৰৰ অধিবক্তা আব্দুল হালিমে জানিবলৈ দিয়া মতে প্ৰথমটো জামিন আবেদনতে জামিন লাভ কৰিবলৈ সমৰ্থ হয় বিশালে। উল্লেখ্য যে ২২০০ কোটি টকাতকৈয়ো অধিক টকাৰ বৃহৎ কেলেংকাৰী দিনদিয়েক পূৰ্বে পোহৰলৈ আহিছিল। উক্ত কেলেংকাৰিৰ কথা পোহৰলৈ অহাৰ পিছতে ৰাজ্যবাসীৰ কপালত চকু উঠাৰ উপক্ৰম ঘটিছিল। কিয়নো এইসকল লোকে ৰাজ্যবাসীৰ সমুখত অলেখ বিলাস-বৈভৱৰে জাকজমকতাপূৰ্ণ জীৱন যাপন কৰি সেয়া ছ'চিয়েল মিডিয়াৰ লগতে মূলসুঁতিৰ সংবাদ মাধ্যমৰ জৰিয়তেও প্ৰচাৰ কৰি আহিছিল। কম সময়ৰ ভিতৰতে মহাধনী হৈ পৰা এইসকল প্ৰৱঞ্চকে নিজকে ভদ্ৰ সমাজৰ একো একোগৰাকী সফল ব্যৱসায়ী হিচাপে দেখুৱাই আহিছিল। কিন্তু কেলেংকাৰি পোহৰলৈ অহাৰ পিছতে বাহিৰ হৈ পৰে গোমৰ ফাঁক। অসংখ্যজনক মিছা আশা আৰু প্ৰলোভন দেখুৱাই কোটিপতি এইসকল প্ৰৱঞ্চক গ্ৰেপ্তাৰ হোৱাত সকলোৱে স্বস্তিৰ নিশ্বাস পেলোৱাৰ লগতে কেলেংকাৰিৰ আঁৰৰ বহু কাহিনী পোহৰলৈ আহিব বুলি আশা কৰিছিল। কিন্তু তাৰ বিপৰীতে আৰক্ষীৰ ৰহস্যজনক ভূমিকাৰ বাবে গ্ৰেপ্তাৰ হোৱাৰ প্ৰায় দুমাহৰ অন্তত আজি আদালতত জামিনহে লাভ কৰে ৩ মহা প্ৰৱঞ্চকে। উল্লেখ্য যে, অভিনেত্ৰী চুমি বৰাৰ স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভাতৃ বিশাল ফুকন আৰু শোভনজ্যোতি কুৰ্মীৰ জামিনৰ ৰায় ২৬ নৱেম্বৰলৈ সংৰক্ষিত ৰাখিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। ট্ৰেডিং কেলেংকাৰীৰৰ আন দুই অভিযুক্ত স্বপ্নীল দাস আৰু চন্দন নাথৰ জামিনৰ শুনানি অনুষ্ঠিত হৈ গৈছিল যদিও তেওঁলোকৰ ৰায়ো ২৬ নৱেম্বৰলৈ সংৰক্ষিত ৰখা হৈছিল। অৱশেষত আজি বিশাল ফুকন, স্বপ্নীল দাস আৰু তাৰ্কিক বৰাক জামিন প্ৰদান কৰা হয় যদিও শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথৰ জামিন নাকচ কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ত চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাসহ কেবাজনো ট্ৰেডিং কেলেংকাৰীৰ অধিবক্তাই জামিন আবেদন কৰিছিল। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক ডিব্ৰুগড়ৰ পৰাৰ আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। বিশাল, স্বপ্নীল আৰু তাৰ্কিকে জামিন লাভ কৰাৰ পিছত এতিয়া গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ থকা চুমি বৰা, শোভনজ্যোতি কুৰ্মীৰ আৰু চন্দন নাথহে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত ন্যায়িক জিম্মাত থাকিব। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিছিল ৰাজ্য চৰকাৰে। কিন্তু এতিয়া ৩জনে জামিন লাভ কৰাৰ পিছতে চুমি বৰা সহিতে বাকীসকলেও যে সোনকালে জামিন লাভ কৰি মুকলি আকাশৰ তললৈ আহিব সেয়া প্ৰায় স্পষ্ট হৈ পৰিছে বুলিব পাৰি। এনেদৰে এতিয়া অসম আৰক্ষীয়ে খেনোক দেখি ৰান্ধে-বাঢ়ে আৰু খেনোক দেখি দুৱাৰ মৰা নীতিৰে চাৰ্জশ্বিট দাখিল কৰি আহিছে বুলিও ছ'চিয়েল মিডিয়াত ব্যাপক চৰ্চা চলা দেখা গৈছে। উল্লেখ্য যে কবিতা লিখি জেললৈ যোৱা বৰ্ষাশ্ৰীয়ে জামিন লাভৰ বাবে কৰিবলগীয়া হৈছিল যথেষ্ট আইনী যুদ্ধ। বিপৰীতে বিশালসহ প্ৰৱঞ্চকসকলে অতি সহজেই লাভ কৰিবলৈ সমৰ্থ হৈছে জামিন।

■ ৬নং পৃষ্ঠাৰ পৰা...

# নলবাৰীৰ ৰাস মহোৎসৱত বিশেষ

ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই দ্বিতীয় দিনাখন পৰিদৰ্শন কৰে। উক্ত প্ৰদৰ্শনী পৰিদৰ্শন কৰি বশিষ্ঠ বুজৰবৰুৱাই প্ৰজ্ঞা, নলবাৰী জিলা সমিতিৰ বিষয়ববীয়া সৈতে এক বৈঠকত মিলিত হয়। বশিষ্ঠ বুজৰবৰুৱাৰ আজিৰ এই পৰিদৰ্শন কালত সংগ দিয়ে বিশিষ্ট কণ্ঠ শিল্পী বিদ্যা সাগৰ, প্ৰজ্ঞা, নলবাৰী জিলা সমিতিৰ সম্পাদক পংকজ ডেকা, ভাওনা আৰু জীৱন্ত ৰাস পৰিচালনা সমিতিৰ সভাপতি মুনিন্দ্ৰ বুজৰবৰুৱা, ভাৰত মাতা পূজনৰ সভাপতি দীপক শৰ্মাই। উল্লেখ্য যে, যোৱা ১৬ নৱেম্বৰৰ পৰা নলবাৰী ৰাস মহোৎসৱ, জ্ঞান আৰু প্ৰজ্ঞাস্থলীত পৰিণত হৈ পৰিছে। এইবেলি তৃতীয় বাৰৰ বাবে ৯১ সংখ্যক নলবাৰী ৰাস মহোৎসৱত প্ৰজ্ঞাৰ তৰফৰ পৰা ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। উজলি উঠিছে অখণ্ড ভাৰত পৰিক্ৰমা আৰু ভাৰতীয় উজ্জ্বল জ্ঞান পৰম্পৰাৰ প্ৰদৰ্শনী। অখণ্ড ভাৰত পৰিক্ৰমা আৰু ভাৰতীয় উজ্জ্বল জ্ঞান পৰম্পৰাৰ প্ৰদৰ্শনীত পূৰ্বৰ দৰে এইবাৰো ভক্তপ্ৰাণ ৰাইজে অভূতপূৰ্ব ভিৰ কৰা পৰিলক্ষিত হয়। ইফালে প্ৰদৰ্শনীস্থলী পৰিদৰ্শন কৰি সাংবাদিকৰ আগত বশিষ্ঠ বুজৰবৰুৱাই ৰাস মহোৎসৱৰ ১১ দিনাখনলৈ প্ৰায় ২ লাখ ভক্তপ্ৰাণ ৰাইজে এই প্ৰদৰ্শনী উপভোগ কৰাটো নলবাৰী বাবে গৌৰৱৰ কথা বুলি সদৰী কৰাৰ লগতে নতুন প্ৰজন্মই ভাৰতীয় সংস্কৃতিৰ ইতিহাসৰ জ্ঞান লোৱাৰ এক সুন্দৰ প্ৰদৰ্শনী বুলি কয়। উল্লেখ্য যে এই প্ৰদৰ্শনীৰ জৰিয়তে ভাৰতবৰ্ষৰ প্ৰাচীনতম মঠ-মন্দিৰকে ধৰি বিভিন্ন সামগ্ৰী উপস্থাপন কৰিছে। আনহাতে, ৰাম সেতু, বেদৰ জ্ঞানকে ধৰি প্ৰাচীন কালত ব্যৱহৃত সামগ্ৰী দেখুওৱা হৈছে এই প্ৰদৰ্শনীত। অখণ্ড ভাৰতৰ এই প্ৰদৰ্শনী থকা স্থলসমূহ পৰিদৰ্শন কৰি বিভিন্ন জ্ঞান আহৰণ কৰা প্ৰায় ১০ সহস্ৰাধিক দৰ্শকে তেওঁলোকৰ মতামত লিখি থৈ যায়। এনেদৰে, এইবাৰ নলবাৰীৰ ৰাস মহোৎসৱত এই বিশেষ প্ৰদৰ্শনীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে। এই সফলতাত আয়োজকসকল উৎসাহী হৈ পৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ ৬নং পৃষ্ঠাৰ পৰা...

# তিনি ধৰ্ষণকাৰীক বিচাৰি চিকাৰীভেঁটীত

সৃষ্টি হৈছে এই প্ৰতিক্ৰিয়া আৰু ক্ষোভৰ। ইতিমধ্যে শিৱসাগৰ জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিস্থান, জাতীয়তাবাদী দল-সংগঠনে এই ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে দোষীক ফাষ্টট্ৰেক আদালতত পক'চ আইনৰ অধীনত দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে। অৱশ্যে বিগত তিনিটা দিনে ন্যায় বিচাৰি হাহাকাৰ কৰা পৰিয়ালটোৰ কাষত সংবাদ মাধ্যমে শক্তিশালী ৰূপত থিয় দি এই ভয়ংকৰ, নিৰ্মম ঘটনা সবিস্তাৰে ফাদিল কৰি দিয়াৰ পিছতেই থৰকাছুতি হেৰুওৱা ডিমৌ আৰক্ষীয়ে মুখলজ্জা ঢাকিবৰ বাবে অভিযুক্ত এজনৰ ভাতৃক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। আজি কাহিলী পুৱাতে সুনীল তপ্নৰ ককায়েক জুছেন তপ্নক সুনীল আৰু ভাইটিক পলাই ফুৰাত সহায় কৰাৰ অভিযোগত আটক কৰে আৰক্ষীয়ে। চিকাৰী ভেঁটীস্থিত সুনীলৰ অভিশপ্ত গৃহটোৰ পৰা এটা ছাউণ্ড চিষ্টেম জব্দ কৰাৰ বাদে বিশেষ তদন্তই গতি লাভ নকৰাক লৈয়েই সৃষ্টি হৈছে এই ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ। মেধাৱী কিশোৰীগৰাকীক কালি বিয়লি আদালতত ভাষ্য সংগ্ৰহ কৰাৰ পিছতেই শিশু সুৰক্ষা আয়োগৰ নিৰাপত্তাৰ মাজত চিকিৎসাৰ ব্যৱস্থা কৰে। ডিমৌ থানাৰ অন্তৰ্গত এটা অতি দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰীগৰাকীয়ে দৰ্জীৰ কাম কৰা মাতৃৰ ওচৰলৈ নিজ গৃহৰ পৰা অহাৰ সময়তেই সংঘটিত হৈছিল এই ভয়ংকৰ ঘটনা। চিকিৎসালয়ৰ চেফটি চেমিয়া ৱাৰ্ডত ন্যায় নাপালে চৰম সিদ্ধান্ত লোৱাৰ ভাবুকি প্ৰদান কৰা ধৰ্ষণৰ বলি হোৱা কিশোৰীগৰাকীয়ে চিঞৰি চিঞৰি কান্দি কান্দি কৈ গৈছিল তিনি নৰপিশাচৰ আসুৰিক নিৰ্যাতনৰ বিৱৰণ। মাতৃৰ কাষলৈ বিয়লিৰ সময়ত খোজ কাঢ়ি গৈ থকাৰ সময়তে এখন ৰঙা ৰঙৰ চালকৰ আসনত মাস্ক পৰিধান কৰি থকা এজনৰ লগতে মুঠ তিনিটা নৰপিশাচে জনশূন্যহীন পথটোৰ পৰা কিশোৰীগৰাকীক গাড়ীত তুলি চিকাৰী ভেঁটীত থকা এখন বৃহৎ বাৰীৰে আগুৱা চৌহদৰ মাজত থকা মাটিৰ বেৰৰ ঘৰটোৰ ভিতৰতেই সুনীল আৰু ভাইটীয়ে মুখত সোপা দি নাবালিকা গৰাকীক কৰিছিল দলবদ্ধ ধৰ্ষণ। পূৰ্বৰে পৰা ধৰ্ষণৰ বলি হোৱা ঘৰটোৰ পৰা কোনো শব্দ যাতে বাহিৰলৈ নাযায় তাৰ বাবে সেই কোঠাটোৰ ভিতৰত উচ্চস্বৰত বজাই ৰাখিছিল ডি জে। ইফালে মুখত মাস্ক পৰিধান কৰা মেজিক চালকজনেও এই ধৰ্ষণ কাৰ্যৰ সময়ত তিনি নৰপিশাচক সুৰক্ষা দিয়াৰ কথাও পোহৰলৈ আহিছে। ইফালে নিশাই কন্যাৰ মুখেৰে নিৰ্য্যাতনৰ ভয়ংকৰ খবৰ লাভ কৰি ডিমৌ আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত নৰপিশাচ সুনীলৰ বাসগৃহৰ অভিশপ্ত কোঠাটোৰ পৰা ছাউণ্ড চিষ্টেমটো জব্দ কৰাৰ পিছত আজি সুনীলৰ এগৰাকী ভাতৃক পুঁৱতি নিশা চিকাৰী ভেঁটীৰ পৰা দুই কিলোমিটাৰ নিলগৰ এগৰাকী আত্মীয়ৰ ঘৰৰ পৰা সোধা-পোচাৰ বাবে আটক কৰে। স্থানীয় বিভিন্ন সূত্ৰই জানিবলৈ দিয়া মতে বৃহৎ বাৰীৰ মাজত এক নিৰ্জন স্থানত থকা সুনীলৰ বাসগৃহটো দীৰ্ঘ সময়ৰ পৰাই অসামাজিক কাৰ্য্যকলাপৰ অভিকেন্দ্ৰ হিচাবে পৰিচিত হৈ আহিছিল। ঘটনা সংঘটিত হোৱাৰ পিছতেই মাস্ক পৰিধান কৰা চালকজনে টাটা মেজিকখন ডিব্ৰুগড়ৰ দিশে লৈ যোৱাৰ লগতে সুনীল আৰু ভাইটীয়ে একেখন বাইকেৰে আঁতৰি গৈছিল অজ্ঞাত স্থানলৈ। সামাজিক মাধ্যমত সক্ৰিয় হৈ থকা নৰপিশাচদ্বয়ে অভিশপ্ত নিশাটোৰ সাত বজাৰ পিছতেই নিজৰ মবাইল ফোনৰ চুইচ অফ কৰি ৰখাৰ বাবে ডিমৌ আৰক্ষীয়ে ট্ৰেক কৰাত গভীৰ সমস্যাৰ সৃষ্টি হৈছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিছে। ইফালে কালি এই ভয়ংকৰ ঘটনা পোহৰলৈ অহাৰ পিছতেই গৰজি উঠা শিৱসাগৰৰ জাতীয়, জনগোষ্ঠীয় দল-সংগঠন সমূহে আজি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবীত অটল হৈ আছে। অসম চাহ জনজাতি ছাত্ৰ সন্থাই আগন্তক ২৪ ঘন্টাৰ পিছত আৰক্ষী-প্ৰশাসনে দোষীক গ্ৰেপ্তাৰত ব্যৰ্থ হ'লে বৃহস্পতিবাৰৰ পৰা শিৱসাগৰৰ ৰাজপথ উত্তাল কৰিব বুলি হুংকাৰ প্ৰদান কৰিছে। সংগঠনটোৱে দুটা নৰপিশাচক ভুক্তভোগী কিশোৰী গৰাকীয়ে চিনাক্ত কৰি দিয়াৰ পিছতো কিয় ডিমৌ আৰক্ষীয়ে তৃতীয়টো মাস্ক পৰিধান কৰা নৰপিশাচৰ সঠিক পৰিচয় উদ্ধাৰত ব্যৰ্থ হৈছে তাক লৈ প্ৰশ্ন উত্থাপন কৰাৰ লগতে শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মাজুলীৰ দলং কেতিয়ালৈ? গাডকাৰীক

লাভ কৰা বিআৰচি কোম্পানীয়ে দলংখনৰ নিৰ্মাণৰ কাম এৰাৰ পাছত পুনৰ নিবিদা কেতিয়া হ'ব আৰু দলং পুনৰ নিৰ্মাণৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব। ইতিমধ্যে মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট-মাজুলী দলঙৰ কাম ৫ ছেপ্টেম্বৰৰ পৰা স্থবিৰ হৈ থকা কথা অৱগত কৰি বিষয়টোৰ গুৰুত্ব অনুভৱ কৰি তথা ইতিমধ্যে নিৰ্ধাৰণ কৰা সম্পূৰ্ণকৰণৰ সময়সীমা অৰ্থাৎ ডিচেম্বৰ ২০২৫ৰ লক্ষ্যৰ পৰা যাতে বিচলিত হ'বলগীয়া নহয়, তাৰবাবে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীলৈ তাৎক্ষণিক হস্তক্ষেপ বিচাৰি আবেদন কৰিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে তাৎক্ষণিক সংশোধনী ব্যৱস্থা গ্ৰহণ কৰি পলম নকৰাকৈ প্ৰকল্পটোৰ পুনৰ নিবিদাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ পত্ৰৰ যোগেদি আহ্বান জনাইছিল কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত সোনকালে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছিল। সেই আশ্বাসৰ আজি ডেৰটা মাহ পাৰ হৈ যোৱাৰ পাছতো দলঙৰ পুনৰ নিবিদা বা নিৰ্মাণ কাৰ্য আৰম্ভ নহ'ল। দলং নিৰ্মাণকাৰী দুই কোম্পানীৰ সংঘাতৰ বাবেই এতিয়া দলংখনৰ নিৰ্মাণ কাৰ্য পিছুৱাই যাব লগা হৈছে। মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে মাজুলীৰ বিধায়ক ভুবন গামৰ সহিতে আজি মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীসহ এটি দলে কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি দলংখনৰ পুণৰ নিৰ্মাণ সম্পৰ্কে আলোচনাত মিলিত হয়। জানিব পৰা অনুসৰি সাক্ষাৎ কালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অহা সপ্তাহত দলংখনৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি আশ্বাস প্ৰদান কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কালত সাংসদ প্ৰদান বৰুৱা, ৰামেশ্বৰ তেলী আৰু জিলা বিজেপিৰ সভাপতি বীৰেন শইকীয়া উপস্থিত থাকে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মাটিৰ দালালৰ বিৰুদ্ধে একত্ৰিত

অনুষ্ঠিত কৰিলে ৰাজহুৱা সভা। লাহৰীঘাটৰ দেৰাগুৰিত দালালৰ বিৰুদ্ধে ৰাজহুৱা সভা অনুষ্ঠিত কৰি প্ৰশাসনৰ ওচৰত ব্যৱস্থা গ্ৰহণৰ দাবী জনালে ৰাইজে। দালালৰ দপদপনিত অতিষ্ঠ হৈ এইদৰে সাধাৰণ ৰাইজ ওলাই আহি অনুষ্ঠিত কৰিলে ৰাজহুৱা সভা। গাঁও প্ৰধান মানিক চন্দ্ৰ পাটৰৰ সভাপতিত্বত দেৰাগুৰি চাৰিআলিত অনুষ্ঠিত হয় ৰাজহুৱা সভা। এই ৰাজহুৱা সভাত বোৱালগুৰি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি হজৰত আলী, দেৰাগুৰি গাঁৰৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক আব্দুল ৰশিদকে ধৰি বহু স্থানীয় ৰাইজ উপস্থিত থাকে। চাৰিজন মাটিৰ দালালে সহজ সৰল লোকক ভয় ভাবুকি দেখুৱাই মাটি হস্তগত কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত দালাল ৰাজ অব্যাহত ৰাখিছে। এই দালাল কেইজনক লাহৰীঘাট সমজিলা কাৰ্যালয়ত সঘন অহা যোৱাৰ লগতে এই দালাল কেইজনৰ নতুনকৈ গঠন হোৱা লাহৰীঘাট সম জিলাৰ আয়ুক্ত গৰাকীৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে বুলি জহাই সহজ সৰল লোকক ভয় ভাবুকি দেখুৱাই আহিছে বুলি ৰাজহুৱা সভাত মুকলিকৈ অভিযোগ উত্থাপন কৰিছে। সমজিলা আয়ুক্তৰ লগত সু-সম্পৰ্ক থকা বুলি কৈ চাৰি দালালে বিভিন্ন সময়ত সহজ সৰল লোকক ভয় দেখুৱাই বুলিও ৰাজহুৱা অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে আতাউৰ ৰহমান, ছফিকুল ইছলাম, হাইবুৰ ৰহমান আৰু মজিবুৰ ৰহমান নামৰ চাৰি দালালৰ বিৰুদ্ধে স্হানীয় ৰাইজে মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ত লিখিত অভিযোগ দাখিল কৰিছে। এই দালাল কেইজনৰ বিৰুদ্ধে মাৰবান্ধি থিয় হ'ব বুলি ৰাজহুৱা সভাত সকলোৱে প্ৰতিশ্ৰুতি দিয়ে। এই দালাল কেইজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক স্থানীয় ৰাইজে দাবী জনাইছে। অন্যাথাই ৰাইজে আন্দোলনৰ পথ ল'বলৈ বাধ্য হ'ব বুলিও সকীয়াই দিয়ে।

৬নং পৃষ্ঠাৰ পৰা...

# অবৈধ স্কুলক লৈ দলগাঁৱত বৃহৎ বজাৰ

অবৈধ স্কুল বন্ধ কৰিবলৈ স্মাৰক পত্ৰ প্ৰদানৰ পিছতে অবৈধ স্কুলসমূহৰ মাজত হাহাকাৰ লাগে। অবৈধ স্কুলসমূহৰ বিৰুদ্ধে দলগাওঁ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই এতিয়ালৈকে মুঠ ৫ খনকৈ স্কুল বন্ধ কৰাৰ পিছত একাংশ অসাধু কৰ্মচাৰীয়ে ধনৰ বিনিময়ত শৰণ দিয়াৰ অভিযোগ উঠিছে। এই প্ৰতিবেদকৰ হাতত পৰা তথ্য মতে দলগাওঁ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ জনৈক ইছলামে একাংশ অবৈধ বিদ্যালয় বন্ধৰ জাননী বন্ধ ৰাখিবলৈ বৃহৎ ধন সংগ্ৰহত নামি পৰিছে। কৰ্মচাৰীজনে উক্ত ধনৰাশি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পৱিত্ৰ তামুলীক মেনেজ কৰিবলৈ দিয়া বুলি অবৈধ স্কুল কৰ্তৃপক্ষৰ এজন লোকে দাবী কৰাৰ বিপৰীতে দৰং জিলা সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ জনৈক চহৰীয়া উপাধিৰ এজন কৰ্মচাৰীয়েও অবৈধ স্কুলসমূহক নিৰাপত্তা দিয়া আৰু বিভাগীয় প্ৰয়োজনীয় ইউ ডাইচ আৰু অন্যান্য অনুমতি নোলোৱাকৈ স্কুল বন্ধৰ জাননী বন্ধ ৰাখিবলৈ অবৈধ বিদ্যালয়সমূহৰ পৰা বৃহৎ ধনৰ লেন-দেনৰ বিনিময়ত বুজাবুজি কৰাৰ তথ্যও অবৈধ বিদ্যালয়ৰ এজন স্বত্বাধিকাৰীয়ে প্ৰকাশ কৰি অতি শীঘ্ৰে তেওঁলোকৰ বিভাগীয় কাম হৈ যাব বুলি চহৰীয়া উপাধিৰ কৰ্মচাৰীজনে আশ্বাস দিয়া বুলিও সদৰী কৰে। এফালে চৰকাৰী-বেচৰকাৰী বৈধ বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে আপাৰৰ কাম সম্পূৰ্ণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰিবলৈ স্বয়ং জিলা আয়ুক্তই শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীৰে সঘনে বৈঠকত বহি তদাৰক কৰিছে, আনফালে অবৈধ স্কুলসমূহৰ বিৰুদ্ধে গ্ৰহণ কৰা বন্ধৰ স্থিতি ৰহস্যজনকভাবে থমকি ৰৈছে। উল্লেখ্য যে, দলগাওঁ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই ইতিপূৰ্বে ২ নং মাজগাঁৱৰ আবুল কালাম মডেল একাডেমী, ৫ নং বৰুৱাঝাৰৰ ছানৰাইজ একাডেমী আৰু আল হায়াত একাডেমী বন্ধ কৰিবলৈ জাননী জাৰি কৰে। যোৱা ১১ নৱেম্বৰত দলগাওঁ খুটিৰ ড্ৰীম লাইফ একাডেমী আৰু জামালপুৰৰ জ্ঞানজ্যোতি জাতীয় বিদ্যালয় বন্ধ কৰিবলৈ পৃথকে নিৰ্দেশ জাৰি কৰিছে। মনকৰিবলগীয়া যে, প্ৰায় অৰ্ধশতাধিক অবৈধ স্কুলৰ ভিতৰত শিক্ষা বিষয়াগৰাকীয়ে এতিয়ালৈ মাত্ৰ ৫ খনমান বিদ্যালয় বন্ধৰ নিৰ্দেশে প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে যদিও শিক্ষা বিষয়াৰ বন্ধৰ জাননী ডাষ্টবিনত দলিয়াই নিয়মিতভাৱে চলাই গৈছে স্কুল। ইফালে, একাধিক বৈধ স্কুলে অবৈধ স্কুলৰ ঠিকা লৈ সংশ্লিষ্ট স্কুলত অধ্যয়নৰত শিক্ষাৰ্থীৰ পেন আৰু আপাৰ আইডি প্ৰস্তুত কৰি দিয়াৰ নামতো ৰমৰমীয়া ব্যৱসায় কৰাৰ তথ্য পোহৰলৈ আহিছে। আমাৰ হাতত পৰা তথ্যমতে, চোকাবাহী জাতীয় বিদ্যালয়ে অতি কমেও পাঁচখনকৈ বিদ্যালয়ৰ ঠিকা লৈছে। নমাটিৰ নমাটি জাতীয় বিদ্যালয়, ১/২ নং বৰুৱাঝাৰৰ এপিজে আব্দুল কালাম মেমৰিয়েল একাডেমী, ২ নং মাজগাঁৱৰ আবুল কালাম মডেল একাডেমী আৰু অন্য দুই-তিনিখন স্কুলৰ ঠিকা লোৱাৰ অভিযোগ উঠিছে। বৃহৎ ধনৰ বিনিময়ত উল্লেখিত অবৈধ স্কুলত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ নাম নীতিবহিৰ্ভূতভাৱে ইউ ডাইচ পৰ্টেলত ভৰাই পেন আৰু আপাৰ আইডি দিয়াৰ মৌখিক চুক্তিৰ তথ্য পোহৰলৈ আহিছে। সকলো দেখি-শুনিও এনে বিদ্যালয়ৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত শিক্ষা বিভাগৰ সততাৰ ওপৰত প্ৰশ্ন তুলিছে বৈধ বেচৰকাৰী বিদ্যালয়সমূহে। আনহাতে, অবৈধ বিদ্যালয়সমূহে স্থানীয় বিধায়কৰ শৰণাপন্ন হোৱাত বিধায়কৰ বিৰুদ্ধে অবৈধ বিদ্যালয়ক সুৰক্ষা দিয়াৰ অভিযোগ উঠিছে। এনে বিদ্যালয়সমূহ বন্ধ নকৰিবলৈ জিলা আয়ুক্তলৈ বিধায়ক মজিবুৰে পত্ৰ লিখা বুলি শিক্ষা বিভাগৰ সূত্ৰৰ পৰা জানিব পৰা গৈছে। বিধায়কৰ পত্ৰৰ দোহাই দি বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে সম্প্ৰতি অবৈধ বিদ্যালয় বন্ধৰ প্ৰক্ৰিয়া স্থগিত ৰাখিবলৈ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক মৌখিক নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। ইফালে, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই অবৈধ স্কুলৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাত বিষয়াগৰাকীক বদলি কৰিবলৈ অবৈধ স্কুল আৰু একাংশ চিআৰচিচি যড়যন্ত্ৰত নামি পৰাৰো অভিযোগ উঠিছে। জিলা আয়ুক্তৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাবলৈ কোনে সাহস দিলে? অবৈধ স্কুল বন্ধক কেন্দ্ৰ কৰি বজাৰ বহুৱাৰ ধাৰাবাহিক বাতৰি প্ৰচাৰৰ পিছতো কিয় নীৰৱ হৈ আছে জিলা আয়ুক্তৰ কাৰ্যালয় তাকে লৈ দলগাঁও অঞ্চলত চৰ্চা হৈছে। অবৈধ স্কুল বন্ধ কৰা-নকৰাক লৈ গঢ়ি উঠা বজাৰৰ আঁৰত জড়িত লোকৰ বিৰুদ্ধে কিবা তদন্ত হ'বনে? জিলা আয়ুক্তই জাৰি কৰা জাননী অনুসৰি অবৈধ স্কুল প্ৰকৃতাৰ্থত বন্ধ কৰিব পাৰিব নে নাই সেয়া এতিয়া এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। এনেদৰেই এতিয়া দলগাঁও অঞ্চলত শিক্ষানুষ্ঠানক লৈ চলি আহিছে ব্যাপক দুৰ্নীতি। ফলত বহু শিক্ষাৰ্থীৰ জীৱনলৈ অবাবতে নামি আহিছে ঘোৰ অমানিশা।

৬নং পৃষ্ঠাৰ পৰা...

# সংবিধান মানি দেশ চলাই আহিছে

দেশবাসীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। অনুষ্ঠানৰ সময়ত মোদীয়ে কয় যে আজি আমাৰ গণতন্ত্ৰৰ বাবে এক গুৰুত্বপূৰ্ণ দিন, কিন্তু আজি মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰো বৰ্ষপূৰ্তি। মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা লোকসকলক শ্ৰদ্ধাঞ্জলি জনাই তেওঁ কয় যে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ লগতে তেওঁলোকৰ সহযোগী সংগঠনসমূহক উচিত প্ৰত্যুত্তৰ দিয়া হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে বাবা চাহেবৰ লগতে সংবিধান প্ৰণেতাসকলৰ সপোন আৰু আকাংক্ষা পূৰণৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। সংবিধান আমাৰ বৰ্তমান আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক, প্ৰতিটো সংকটতে আমাক সঠিক দিশ প্ৰদান কৰে। এই কাৰণেই আজি প্ৰথমবাৰৰ বাবে জম্মু-কাশ্মীৰত সংবিধান দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত ১০ বছৰত ৫৩ কোটিতকৈ অধিক ভাৰতীয় নাগৰিকে বেংক একাউণ্ট খুলিছে, যিসকল পূৰ্বে বেংকৰ সুবিধাৰ পৰা বঞ্চিত আছিল। ইয়াৰ উপৰিও ৪ কোটি ভাৰতীয়ৰ বাবে পকী ঘৰৰ ব্যৱস্থা কৰা হৈছে, যিসকল বহু প্ৰজন্ম ধৰি গৃহহীন হৈ আছে। একে সময়তে দীৰ্ঘদিন ধৰি এই সুবিধাৰ বাবে অপেক্ষা কৰি থকা ১০ কোটি মহিলাক বিনামূলীয়া গেছ সংযোগৰ ব্যৱস্থা কৰা হৈছে। তেওঁ আৰু কয় যে আমাৰ সংবিধানত শ্ৰীৰাম, হনুমান, সীতা, গুৰু গোবিন্দ, গৌতম বুদ্ধৰ প্ৰতীক আছে, কাৰণ সেইবোৰ মানৱ মূল্যবোধৰ প্ৰতীক। প্ৰধানমন্ত্ৰীয়ে কয় যে এতিয়া জ্যেষ্ঠ নাগৰিকসকলে পেঞ্চন লাভ কৰিবলৈ কাৰ্যালয়লৈ গৈ নিজৰ অস্তিত্ব প্ৰমাণ কৰিব নালাগে। সকলোকে ইন্দ্ৰধনুষ মিছনৰ জৰিয়তে টিকাকৰণ, আয়ুষ যোজনাৰ জৰিয়তে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হৈছে। কেইবছৰমানৰ আগতে যিবোৰ ঘৰ বিদ্যুৎ বিহীন আছিল, সেইবোৰ ঘৰত এতিয়া পৰ্যাপ্ত পৰিমাণৰ বিদ্যুৎ যোগান আছে। 5G সংযোগৰ দ্বাৰা মোবাইল আৰু ইণ্টাৰনেট আধুনিক হৈ পৰিছে। ড্ৰ'ন মেপিঙৰ জৰিয়তে গাঁৱৰ ভূমিৰ ৰেকৰ্ড ৰখা হৈছে। ১৮ লাখ কোটি টকাৰ ৩০-৪০ বছৰীয়া প্ৰকল্পকে ধৰি গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়, 'সংবিধানে দিয়া দায়িত্ব অনুযায়ী মই কাম কৰিছো। মই মোৰ অধিকাৰৰ পৰিসীমাৰ ভিতৰত নিজৰ কৰ্তব্য পালন কৰি গৈছো আৰু কেতিয়াও কাৰো অধিকাৰ খৰ্ব কৰা নাই।' উল্লেখ্য যে, নৰেন্দ্ৰ মোদী আৰু শাসকীয় বিজেপিৰ বিৰুদ্ধে বাৰে বাৰে সংবিধানৰ অৱমাননাৰ অভিযোগ উত্থাপন কৰি আহিছে বিৰোধীয়ে। এনে পৰিপ্ৰেক্ষিতত সংবিধানৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ আস্থা প্ৰদৰ্শনক লৈও একাংশই এতিয়া আলোচনা চলাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

৬নং পৃষ্ঠাৰ পৰা...

# গুইজানত 'জুৰা'ৰ সভা সম্পন্ন

জিলা সমিতিৰ আতিথ্যত সফলতাৰে অনুষ্ঠিত হৈ যায়। কাৰ্যনিৰ্বাহক সভাৰ লগত সংগতি ৰাখি দুপৰীয়া 'সংবাদ মাধ্যমত ডিজিটেল প্ৰযুক্তিৰ প্ৰভাৱ' শীৰ্ষক এখন আলোচনা চক্ৰৰ লগতে এক মত-বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। আলোচনা চক্ৰত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে ইণ্ডিয়ান জাৰ্ণেলিষ্ট ইউনিয়ন (আইজেইউ) ৰ সভাপতি গীতাৰ্থ পাঠকে। আলোচনা চক্ৰত সহযোগী বক্তা হিচাপে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ ৰাজ্যিক সভাপতি তথা ইণ্টাৰনেশ্যনেল ফেডাৰেশ্যন অৱ ইউনিয়নৰ জেণ্ডাৰ কাউন্সিলৰ সদস্য চেলিম চুলতানা আহমেদ উপস্থিত থাকে। 'জুৰা'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অখিল চন্দ্ৰ বৰুৱা আৰু ৰাজ্যিক সমিতিৰ উপ-সভাপতি ৰূপম কাকতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়াৰ বিধায়ক তথা শ্ৰমমন্ত্ৰী সঞ্জয় কিষান, চাবুৱাৰ বিধায়ক পোণাকণ বৰুৱা, অৰুণাচল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডি এচ হাৰনৱাল। আলোচনা চক্ৰত আই জে ইউৰ সভাপতি গীতাৰ্থ পাঠক আৰু বিশিষ্ট ব্যক্তিসকলে সংবাদ মাধ্যমত ডিজিটেল প্ৰযুক্তিৰ প্ৰভাৱৰ বিভিন্ন দিশৰ সন্দৰ্ভত উল্লেখ কৰে। অনুষ্ঠানতেই বিধায়ক পোণাকণ বৰুৱাই তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক তথা কবি-লেখক-সমাজকৰ্মী ৰূপম কাকতিৰ কাব্য সংকলন 'বিবৰ্ণ ৰাতিৰ কবিতা' উন্মোচন কৰে। বিধায়কগৰাকীয়ে কাব্য সংকলনখনত কবিগৰাকীয়ে লিখা আত্মকথা নিজা হাতৰ আখৰেৰে লিখাত ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত বিশিষ্ট ব্যৱসায়ী তথা সমাজসেৱক বিজয় জৈন, ওমপ্ৰকাশ কামদাৰো উপস্থিত থাকে। বিয়লিলৈ মূল ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'য়। 'জুৰা'ৰ ৰাজ্যিক সভাপতি চেলিম চুলতানা আহমেদৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক ধনজিৎ দাসে। সভাৰ আৰম্ভণিতে তিনিচুকীয়াৰ বিশিষ্ট পৰিৱেশকৰ্মী নিৰন্ত গোঁহাইয়ে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীয়ে উদ্যানখনৰ জীৱ-জন্তু হত্যা কৰা আৰু মূল্যবান গছ-গছনি, কাঠ আদি চোৰে কাটি ধ্বংস কৰাৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে আৰু এই ক্ষেত্ৰত বন বিভাগৰ ভূমিকাকো সমালোচনা কৰে। ৰাজ্যখনৰ বিভিন্ন জিলাৰ পৰা ৩২ গৰাকী সদস্য আৰু বিষয়ববীয়াই অংশগ্ৰহণ কৰা ৰাজ্যিক কাৰ্যনিৰ্বাহকত ৮ টাকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হ'য়। সদস্যসকলক 'জুৰা'ৰ তিনিচুকীয়া জিলা সমিতিয়ে চেলেং চাদৰ, স্মাৰক, বেগ, ডায়েৰী আৰু এটাকৈ চাহপাতৰ টোপোলাৰে আদৰণি জনায়।

৬নং পৃষ্ঠাৰ পৰা...

# ১২০ গৰাকীৰো অধিক বিদেশী পৰ্যটকৰ

বৃহৎ প্ৰতিনিধি দলে শিৱসাগৰ ভ্ৰমণ কৰে। এই দলটোত আছিল ফ্ৰান্স, শ্ৰীলংকা, থাইলেণ্ড আদিকে ধৰি বিভিন্ন দেশৰ ১২০ গৰাকী পৰ্যটক। এই বিশেষ কাৰ্যসূচীৰ জৰিয়তে উত্তৰ-পূবৰ আঠখন ৰাজ্যৰ পৰ্যটনৰ সুযোগ আৰু সম্ভাৱনা সম্পৰ্কে প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ বাবে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰণালয়ে অসম পৰ্যটনৰ সহযোগত এই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। ১২০ গৰাকীৰো অধিক দেশী বিদেশী প্ৰতিনিধি দলটোৱে আজি বিয়লি শিৱসাগৰ জয়সাগৰ পুখুৰীৰ পাৰৰ স্বৰ্গদেউ ৰুদ্ৰ সিংহ উদ্যানত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। আহাৰ গ্ৰহণৰ আগেয়ে পৰ্যটকসকলক ঢোলে-দগৰে আদৰণি জনোৱা হয়। তাৰ পিছতে শিৱসাগৰৰ 'জুইশাল' ৰেষ্টুৰেন্ট আৰু গুৱাহাটীৰ ৰেডিছন ব্লুৰ যৌথ উদ্যোগত প্ৰস্তুত কৰা থলুৱা অসমীয়া খাদ্য সম্ভাৰেৰে আপ্যায়ন কৰা হয় বিদেশী পৰ্যটকসকলক। গৰৈ মাছৰ পিটিকা, ভাপত দিয়া মাছৰ পৰা আৰম্ভ কৰি টোপোলা ভাতলৈকে বিভিন্ন ব্যঞ্জনৰ থলুৱা অসমীয়া খাদ্য খাই অতি সন্তুষ্টি প্ৰকাশ কৰে পৰ্যটকসকলে। বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীও উপভোগ কৰে তেওঁলোকে।দলটোৰ সমুখত বিহু, মিছিং নৃত্য আদি পৰিৱেশন কৰা হয়। থলুৱা তৃপ্তিদায়ক খাদ্য সম্ভাৰেও পৰ্যটনৰ ক্ষেত্ৰ ত্বৰান্বিত কৰাত ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰিছে দলটোক আদৰি অনা অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই। আহাৰ গ্ৰহণৰ পিছতে আহোম ৰাজত্বৰ স্বৰ্ণিল ইতিহাসক সাবতি থকা ৰংঘৰ পৰিদৰ্শন কৰে পৰ্যটকৰ দলটোৱে। উল্লেখযোগ্য যে এই বাৰ্ষিক অনুষ্ঠানৰ জৰিয়তে পৰ্যটন খণ্ডৰ উৎকৰ্ষ সাধন কৰাৰ সমান্তৰালভাৱে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ বাবে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সম্ভাৱনাক তুলি ধৰাৰ বাবে এই প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই জানিবলৈ দিছে। প্ৰতিনিধি দলটোৱে ইয়াৰ পূৰ্বে চৰাইদেউৰ মৈদাম বিশ্ব ঐতিহ্য থলী পৰিভ্ৰমণ কৰে। শিৱসাগৰৰ পৰা দলটো পোনপটীয়াকৈ কাজিৰঙা অভিমুখে ৰাওনা হ'ব। চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত এই মাৰ্টত অংশগ্ৰহণ কৰিবলৈ বহু কেইখন বিদেশী ৰাষ্ট্ৰৰ প্ৰতিনিধি আহিছে আৰু অহা ২৯ নৱেম্বৰত এই মাৰ্টৰ সামৰণি পৰিব।

# মোদী-খাৰ্গে-ৰাহুল-প্ৰিয়ংকাক সাক্ষাৎ হেমন্ত-কল্পনাৰ, শপত গ্ৰহণ অনুষ্ঠানলৈ নিমন্ত্ৰণ

**নতুন দিল্লী, ২৬ নৱেম্বৰঃ** চৰকাৰ গঠন তথা শপতগ্ৰহণ অনুষ্ঠানৰ বাবে দেওবাৰে ৰাজ্যপালক সাক্ষাতৰ পিছতে চৰকাৰৰ পৰা পদত্যাগ কৰি ২৮ নৱেম্বৰত শপত গ্ৰহণ দিন ঠিক কৰিয়েই দিল্লীলৈ উৰা মাৰিছে ঝাৰখণ্ডৰ তদানীন্তন মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী হেমন্ত চোৰেণে। পত্নী কল্পনা চোৰেণৰ সৈতে নতুন দিল্লীত উপস্থিত হৈ প্ৰথমে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰপ মোদীক চৰকাৰী আৱাসত সাক্ষাৎ কৰে। ফুলৰ থোপাৰে প্ৰধানমন্ত্ৰীক আদৰণি জনাই ২৮ নৱেম্বৰৰ শপতগ্ৰহণ অনুষ্ঠানলৈ অতিথি হিচাপে নিয়ন্ত্ৰণ জনাই বুলি জানিব পৰা গৈছে। হেমন্ত চোৰেণে নতুন চৰকাৰখনৰ বাবে সহায়-সহযোগ তথা কিছু প্ৰকল্প প্ৰদানৰ আহ্বান জনাইছে প্ৰধানমন্ত্ৰীক। লগতে মিত্ৰদল কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীকো নতুন দিল্লীত সাক্ষাৎ কৰে হেমন্ত চোৰেণ আৰু পত্নী কল্পনা চোৰেণে। কংগ্ৰেছৰ তিনিগৰাকী শীৰ্ষ নেতাক শপত গ্ৰহণ কাৰ্যসূচীলৈ নিমন্ত্ৰণ জনাইছে। ২৮ নৱেম্বৰৰ শপতগ্ৰহণ কাৰ্যসূচীত ইণ্ডিয়া জোঁটৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। ইতিমধ্যে ইণ্ডিয়াৰ নেতাসকলে হেমন্ত চোৰেণক বিধায়িনী দলৰ নেতা হিচাপে সৰ্বসন্মতভাৱে গ্ৰহণ কৰিছে। ঝাৰখণ্ডত ইণ্ডিয়া মিত্ৰজোঁটে ব্যাপক সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। ইণ্ডিয়া মৰ্চাৰ ঝাৰখণ্ড মুক্তি মৰ্চা, কংগ্ৰেছ আৰু আৰজেডি-এ ৫১ খন আসন লাভ কৰি চৰকাৰ গঠন কৰিবলৈ আগবাঢ়িছে। ৮১ খন আসন থকা ঝাৰখণ্ডত বিজেপি ২১, জেএমএম ৩৪, কংগ্ৰেছ ১৬, আৰজেডি ৪, চিপিআইএমএল ২, জেডিইউ ১, এজেএছইউ ১, লোক জনশক্তি পাৰ্টী ১, ঝাৰখণ্ড ক্ৰান্তিকাৰী মৰ্চাই এখন আসন লাভ কৰিছে। ঝাৰখণ্ডত বিজেপিৰ মিত্ৰজোঁট অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে হৈছিল আৰু আসনো নিজেই বিতৰণ কৰিছিল। দল জনতা দল ইউনাইটেড, লোক জনশক্তি পাৰ্টি, অল ঝাৰখণ্ড ষ্টুডেণ্টছ ইউনিয়ন আৰু বিজেপিয়ে মিত্ৰতা কৰিছিল। অল ঝাৰখণ্ড ষ্টুডেণ্টছ ইউনিয়নক ১০ খন, জনতা দল ইউনাইটেডক ২ খন, লোক জনশক্তি পাৰ্টিক এখন আসন এৰি দি বিজেপিয়ে ৬৮ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু এই মিত্ৰজোঁটক ধৰাশায়ী কৰি কংগ্ৰেছ নেতৃত্বধানী ইণ্ডিয়া মিত্ৰজোঁটে বৃহৎ সফলতা লাভ কৰে। বিজেপিয়ে ঝাৰখণ্ডত পূৰ্বৰ নিৰ্বাচনতকৈ ফলাফল বেয়া হৈছে। হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নিৰ্বাচন খেলি বিজেপি লজ্জাজনকভাৱে পৰাজিত হয়।

# মৈৰাবাৰীত চাইবাৰ অপৰাধী নাছিৰ ধৃত

**ই-সংবাদ, মৈৰাবাৰী, ২৬ নৱেম্বৰঃ** বিগত দুবছৰ ধৰি আত্মগোপন কৰি ফুৰা মৰিগাঁও আৰক্ষীৰ মূৰৰ কামোৰণি স্বৰূপ কুখ্যাত চাইবাৰ অপৰাধী নাছিৰ উদ্দিন ওৰফে নাছিৰ মুন্সীক আজি পুৱতি নিশা মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত তাতিকটা পথাৰত থকা ভিনীয়েকৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে মৈৰাবাৰী আৰক্ষীয়ে। মৰিগাঁও জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নিৰ্দেশত মৈৰাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় এই কুখ্যাত চাইবাৰ অপৰাধীটোক। মৈৰাবাৰী আৰক্ষী থানাত পূৰ্বে ৰুজু হৈ থকা ১৮/২০২৪ নম্বৰ গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰে কুখ্যাত চাইবাৰ অপৰাধীটোক। উল্লেখ্য যে চাইবাৰ অপৰাধী নাছিৰ উদ্দিন বিগত কেইবা বছৰে আত্মগোপন কৰি বিভিন্ন ধৰণৰ চাইবাৰ অপৰাধত জড়িত হৈ আছিল। ইতিমধ্যে নাছিৰক মৰিগাঁও আৰু মৈৰাবাৰী আৰক্ষীয়ে যৌথভাৱে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# বিলাসীপাৰাত সংবিধান দিৱস

**ই-সংবাদ, বিলাসীপাৰা, ২৬ নৱেম্বৰঃ** ধুবুৰী নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত এ ই ডি ফাউণ্ডেচন আৰু স্লাইহাই ইন্টিগ্ৰেটেড একাডেমীৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে ভাৰতীয় সংবিধান দিৱস দিৱস উদযাপন কৰা হয়। দিৱস উপলক্ষে ভাৰতীয় সংবিধানৰ প্ৰণেতা ডঃ বি আৰ আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন কৰা হয়। বিলাসীপাৰা সূৰ্যখাতাস্থিত স্লাইহাই ইন্টিগ্ৰেটেড একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনৰ পৰা ডঃ বি আৰ আম্বেদকাৰৰ ভৱনলৈ শোভাযাত্ৰা উলিয়ায়। কাৰ্যসূচীত ধুবুৰী নেহৰু যুৱ কেন্দ্ৰৰ বিষয়ববীয়া আৰু স্লাইহাই ইন্টিগ্ৰেটেড একাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।



শিৱসাগৰত নেহৰু যুৱকেন্দ্ৰৰ যুৱ উৎসৱ

## দুৰ্ঘটনাৰ আশংকা ৰোধৰ বাবে বিস্তৃত আলোচনা সম্পন্ন

# তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

**ই-সংবাদ, ডুমডুমা, ২৬ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ পথ সুৰক্ষা সমিতিৰ এখন নিয়মীয়া বৈঠক আজি জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত তিনিচুকীয়াৰ বৰগুৰিস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। সভাত জিলাখনৰ প্ৰতিটো ব্যস্ত পথৰ যাতায়াতৰ ক্ষেত্ৰত, বিশেষকৈ যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত থকা সুৰক্ষামূলক আশংকাসমূহৰ বিষয়ে খুঁটি-নাতি মাৰি আলোচনা কৰা হয়। সভাত যিসমূহ পথত যোৱা সময়ছোৱাত অধিক মাত্ৰাত দুৰ্ঘটনা সংঘটিত হৈছে সেইবোৰ চিনাক্ত কৰি তাৰ কাৰণ পৰ্যালোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে পথত পৰ্যাপ্ত মাত্ৰাত পথচিহ্ন আৰু প্ৰতিফলক আদি স্থাপনৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম আৰু লোক নিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। সুৰাপায়ী আৰু নাবালক গাড়ী চালকৰ বিৰুদ্ধে তালাচী অভিযান তীব্ৰতৰ কৰি তোলাৰ লগতে সজাগতামূলক অভিযান অব্যাহত ৰাখিবলৈকো জিলা পৰিবহণ বিষয়াক জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। আজিৰ সভাত শদিয়াৰ আৰক্ষী অধীক্ষক জগদীশ দাস, অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যৰ উপৰি লোক নিৰ্মাণ বিভাগৰ তিনিচুকীয়া, মাৰ্ঘেৰিটা আৰু দুলীয়াজান আদি সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাসকল, লোক নিৰ্মাণ বিভাগৰ ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডলৰ কাৰ্যবাহী বিষয়া, চক্ৰ বিষয়াসকল, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগমৰ বিষয়া, আবকাৰী, জনস্বাস্থ্য কাৰিকৰী, জনসংযোগ, শিক্ষা আৰু জিলা পৰিবহণ বিভাগৰ বিষয়াসকলৰ লগতে তিনিচুকীয়া, মাকুম, মাৰ্ঘেৰিটা, ডুমডুমা আদি পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে।

# লেখিকা সমাৰোহ সমিতিৰ ডুমডুমা শাখাৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

## কাকপথাৰৰ গৱেষক ছাত্ৰ বিতু ডেকা শ্ৰেষ্ঠ

**ই-সংবাদ, ডুমডুমা, ২৬ নৱেম্বৰঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডুমডুমা শাখাৰ সাহিত্য বিভাগৰ উদ্যোগত শাখাৰ আগন্তুক ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰয়াত জয়মতী কোঁৱৰ সোঁৱৰণীত সদৌ অসম ভিত্তিত আয়োজন কৰা প্ৰৱন্ধ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰিছে। স্নাতকৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা "সামাজিক মাধ্যমত যুৱ উশৃংখলতা নিয়ন্ত্ৰণত ছাত্ৰ সমাজৰ ভূমিকা" শীৰ্ষক প্ৰৱন্ধ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কৃতিত্বৰে সদৌ অসম ভিত্তিত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে বৰপেটাৰ ন-সত্ৰস্থিত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ তথা সদৌ অসম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক তথা কাকপথাৰৰ প্ৰতিশ্ৰুতিসম্পন্ন যুৱনেতা বিতু ডেকাই। দ্বিতীয় স্থান অধিকাৰ কৰিছে নগাঁৱৰ ধিং মহাবিদ্যালয়ৰ ছাত্ৰী হৰ্ষিতা নন্দিনী শিৱমে। তৃতীয় স্থান অৰ্জন কৰিছে লখিমপুৰৰ মাধৱদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰী হিয়াশ্ৰী শইকীয়াই। বিজয়ী প্ৰতিযোগীসকলৰ পুৰস্কাৰসমূহ অহা ২৫ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া শাখাৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত প্ৰদান কৰা হ'ব বুলি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ



ডুমডুমা শাখাৰ সাহিত্য বিভাগৰ সম্পাদিকা দীপা দত্ত ভাজনীয়ে জনাইছে। লগতে পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগী সকলৰ যাতায়তৰ খৰচ সম্পূৰ্ণ নিজা বুলিও জানিবলৈ দিছে। উল্লেখ্য যে, পুৰস্কাৰসমূহ ডুমডুমা শাখাৰ সক্ৰিয় সদস্যা তথা ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা অঞ্জু কোঁৱৰ আৰু পৰিয়ালবৰ্গই প্ৰয়াত মাতৃ জয়মতী কোঁৱৰৰ স্মৃতিত আগবঢ়াই আহিছে।

# নগাঁৱত ড্ৰাগছসহ আটক দুই সৰবৰাহকাৰী

**ই-সংবাদ, বেবেজীয়া, ২৬ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাটো দীৰ্ঘদিনৰে পৰা নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে যদিও অসাধু চক্ৰই আৰক্ষীলৈ কেৰেপ নকৰি নিৰিবিয়ে চলাই আহিছে ইয়াৰ গোপন বেহা । ইয়াৰ মাজতে জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ নাৰমাৰীত আৰক্ষীৰ জালত পৰে বুজন পৰিমাণৰ ড্ৰাগছসহ দুটা কুখ্যাত সৰবৰাহকাৰী। ধৃত সৰবৰাহকাৰী দুটা হৈছে মফিদুল ইছলাম আৰু মাইন উদ্দিন ওৰফে মানু। এক গোপন সূত্ৰৰ খবৰৰ আঁত ধৰি নগাঁও আৰক্ষীয়ে যোৱা নিশা অতৰ্কিতে অভিযান চলাই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী দুটাক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। পিছত আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুটাৰ পৰা ড্ৰাগছভৰ্তি সাতটা চাবোনৰ বাকচ উদ্ধাৰ কৰে। ধৃত সৰবৰাহকাৰী দুটাই দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি নিষিদ্ধ ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি জানিব পৰা গৈছে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত সংবিধান দিৱস পালন




**ই-সংবাদ, কাকপথাৰ, ২৬ নৱেম্বৰঃ** পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, কাকপথাৰৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণয় কোষ তথা অনিতা দাস মেমৰিয়েল ফাউণ্ডেচনৰ সহযোগত আজি সংবিধান দিৱসৰ আয়োজন কৰা হয়। ভাৰত চৰকাৰৰ কেন্দ্ৰীয় শুল্ক আৰু আবকাৰী বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী আয়ুক্ত গোপাল চন্দ্ৰ দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানটোত উদ্বোধনী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ঠানুৰাম মজিন্দাৰে। ড০ মজিন্দাৰে তেওঁৰ বক্তব্যৰ মাজেৰে সংবিধান দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। মুখ্য অতিথিৰ ভাষণত গোপাল চন্দ্ৰ দাসে কয় যে ন্যায়, স্বাধীনতা আৰু সমতাৰ স্তম্ভত ভাৰতীয় সংবিধান প্ৰতিষ্ঠিত। তেওঁ সংবিধানৰ পিতৃপুৰুষ ড০ বি আৰ আম্বেদকাৰৰ জীৱন আৰু দৰ্শন সম্পৰ্কেও বিস্তৃতভাৱে আলোকপাত কৰে। অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে বক্তব্য প্ৰদান কৰে ডিৰাক আৰ্মী কেম্পৰ কমাণ্ডিং অফিচাৰ বলৱন্ত সিঙে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ পঞ্চানন হাজৰিকাই। শলাগ জনায় আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ সমন্বয়ক ড০ ইলা ডেকাই।

# বালাৰচৰত বাঁহৰ কাৰুশিল্প নিৰ্মাণ প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**ই-সংবাদ, ২৬ নৱেম্বৰ, সৃজনগ্ৰামঃ** বঙাইগাঁও জিলাৰ বালাৰচৰত দেওবাৰে উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে বাঁহৰ কাৰুশিল্প নিৰ্মাণৰ প্ৰশিক্ষণ শিবিৰত সামৰণি অনুষ্ঠানত উপস্থিত থাকি কাৰ্যালয়ৰ শুভাৰম্ভ কৰে আৰু কাৰুশিল্পত পাৰদৰ্শিতা দেখুওৱা লোকক বটা প্ৰদান কৰে। বঙাইগাঁও জিলাৰ বালাৰচৰত নাৰ্বাডৰ উদ্যোগত আৰু ৰূপজ্যোতি সংঘ এন জি অ'ৰ সহযোগত অনুষ্ঠিত হয় কাৰুশিল্প প্ৰশিক্ষণ শিবিৰ। আবেলি উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে বালাৰচৰত কাৰুশিল্পৰ এটি কাৰ্যালয় ফিতা কাটি শুভাৰম্ভ কৰে। তাৰ পিছতে প্ৰাক্তন পঞ্চায়ত সভাপতি ছেকেণ্ডাৰ প্ৰধানীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত এনজিঅ'ৰ সম্পাদক ছাহজাহান আমিনে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্বৰ্ধনা অনুষ্ঠান আৰু পৰিচয় পৰ্ব পৰিচালনা কৰে। সভাত উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে বাঁহ-বেতেৰে প্ৰস্তুত কৰা সামগ্ৰী দেখি উৎফুল্লিত হৈ পৰে আৰু সকলোকে কাৰুশিল্পৰ কাম কৰাৰ আহ্বান জনায়। সভাত বঙাইগাঁও জিলা নাৰ্বাডৰ ডিডিএম আলাৰাম ডেউৰী, বঙাইগাঁও জিলা এছবিআইৰ এলডিএম বিকাশ চন্দ্ৰ শীল, এডিঅ পিংকি প্ৰিয়া নিয়োগ, কোকিলা প্ৰেছ ক্লাবৰ সভাপতি মকিবুল ইছলামে ভাষণ দিয়ে। জানিব পৰা মতে, শিবিৰটোত ৯০ টা এছ এইজ জিৰ ৯০জন হিতাধিকাৰীক ৪৫দিন প্ৰশিক্ষণ দিয়া হয়। উল্লেখ্য যে ৰূপজ্যোতি এনজিঅ'ৰ তৰফৰ পৰা বাঁহৰে তৈয়াৰ কৰা সামগ্ৰীত পাৰদৰ্শিতা দেখুওৱা জাহান উদ্দিন, জেলেখা খাতুন, তাৰা ভানু, ওমেছা খাতুন, হালিমা নেছা সুখীতন নেছাক মানপত্ৰ আৰু বঁটাৰে পুৰস্কৃত কৰা হয়। উল্লেখ্য যে পূৰ্বেও ৰূপজ্যোতি এনজিঅ'ই বহু সামাজিক কাম কৰি ৰাইজৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে বুলি বিধায়কজনে কয়।



মাছখোৱাৰ সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত নাৰায়ণা 'ই-টেকন' বিদ্যালয়ৰ বাৰ্ষিক দিৱস উদযাপন

# নাৰায়ণা বিদ্যালয়ৰ বাৰ্ষিক দিৱস সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ২৬ নৱেম্বৰঃ** নাৰায়ণা ই-টেকন' বিদ্যালয়ৰ বাৰ্ষিক দিৱস যোৱা ২১ নৱেম্বৰত অতি আড়ম্বৰপূৰ্ণভাৱে মহানগৰীৰ মাছখোৱাস্থিত সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই। পুৰা দহ বজাত বিদ্যালয়ৰ অধ্যক্ষ এন. শ্ৰীচা দেৱীয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত অসম আৰক্ষীৰ উপ-অধীক্ষক সন্তৰী মিশ্ৰও উপস্থিত থাকে। অনুষ্ঠানটোত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া নৃত্য-গীত পৰিৱেশন কৰে। অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে বিদ্যালয়ৰ ডিজিএম নাগেশ্বৰ ৰাওৱে।

# প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিৰ সফলতা

**ই-সংবাদ, কোকিলা, ২৬ নৱেম্বৰঃ** বঙাইগাঁও জিলাৰ বৃহত্তৰ কোকিলা মাজপাৰাৰ প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিয়ে বছৰি ২ লাখ লিটাৰ গাখীৰ উৎপাদন কৰি ৰাজ্যিক ভিত্তিত দ্বিতীয় বঁটা লাভ কৰিবলৈ সক্ষম হোৱাত উৎফুল্লিত হৈ পৰিছে গোপালকসকল। জানিব পৰা মতে, ২০১৩ চনৰ পৰা প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিয়ে গোপালন আৰম্ভ কৰে যদিও ২০১৭ চনৰ পৰা সমিতিৰ উদ্যোগত উন্নত জাতৰ গাইগৰু পালন কৰিবলৈ বহলভিত্তিত আৰম্ভ কৰাৰ লগতে প্ৰচুৰ পৰিমাণে গাখীৰ উৎপাদন কৰি আহিছে। তাৰ পিছৰে পৰাই নিবনুৱা যুৱক-যুৱতী, অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে গৰু পালন আৰম্ভ কৰে। গৰু পালন কৰি প্ৰায় প্ৰতিটো পৰিয়াল স্বাৱলম্বী হৈছে। আনকি নিতৌ আমোল, পূৰৱীসহ কেইবাটাও কোম্পানীক ৫০ হাজাৰো অধিক কেজি গাখীৰ দিবলৈ সক্ষম হৈছে গোপালকসকলে। আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উপলক্ষে গুৱাহাটী কলাক্ষেত্ৰত অনুষ্ঠিত অনুষ্ঠানত প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিক ৰাজ্যিক ভিত্তিত দ্বিতীয় পুৰস্কাৰ প্ৰদান কৰে মন্ত্ৰী অতুল বৰাই। প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিয়ে ৰাজ্যিক ভিত্তিত দ্বিতীয় পুৰস্কাৰ লাভ কৰাত গোপালকসকলে উৎফুল্লিত হৈ পৰিছে। প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিৰ সভাপতি ৰফিকুল ইছলাম আৰু সাধাৰণ সম্পাদক মন্তাজ আলী আহমেদে জানিবলৈ দিয়া মতে গোপালন কৰি প্ৰতিমাহে এজন গোপালকে ২-৩ লাখ টকা আয় কৰিবলৈ সক্ষম হৈছে। সফল গোপালক ইন্তাজ আলীয়ে জনোৱা মতে তেওঁ নিতৌ উন্নতজাতৰ গাইগৰুৰ পৰা ১২-১৪ হাজাৰ টকা গাখীৰ বিক্ৰী কৰি পায়। প্ৰায় প্ৰতিটো পৰিয়ালে উন্নতজাতৰ গোপালন কৰি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে আৰু আনৰ বাবে আৰ্দশ হৈ পৰিছে। প্ৰগতি দুগ্ধ উৎপাদন সমবায় সমিতিয়ে গাখীৰ বিপ্লৱ কৰিবলৈ সক্ষম হৈছে।

## ছিপাঝাৰত 'জল জীৱন'ৰ নামত প্ৰহসন

# দীৰ্ঘদিন ধৰি বিকল নায়কপাৰা পানী যোগান আঁচনি

**ই-সংবাদ, ছিপাঝাৰ, ২৬ নৱেম্বৰঃ** দৰং জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মঙলদৈ সংমণ্ডলৰ অন্তৰ্গত নায়কপাৰা পানী যোগান আঁচনিখনৰ একাংশ হিতাধিকাৰী খোৱা পানীৰ পৰা বঞ্চিত হৈ আছে। কিয়নো একাধিক ঠাইত বিগত দুমাহ ধৰি পাইপ ফুটি পানীৰ অপচয় হৈ আছে। আনহাতে, আঁচনিখনত থকা দুটা মটৰৰ এটা বিকল হৈ থকা বাবেও একাংশ লোকৰ ঘৰলৈ পানী গৈ নাপায়। উল্লেখ্য যে, আশীৰ দশকতে তদানীন্তন অগপ চৰকাৰৰ আমোলতে বিশুদ্ধ খোৱাপানী যোগানৰ উদ্দেশ্যে আঁচনিখন ৰূপায়ণ কৰা হৈছিল। কিন্তু কেইবছৰমান আঁচনিখন চলাৰ পিছতে মেৰামতি আৰু ধনৰ অভাৱত বিকল হৈ পৰে। পৰৱৰ্তী সময়ত কংগ্ৰেছ চৰকাৰৰ আমোলত বছৰে বছৰে মেৰামতিৰ নামত ঠিকাদাৰে বুজন পৰিমাণৰ ধন উদৰস্থ কৰে যদিও পানীৰ নামত এটোপালো নোলাল। পিছত কেন্দ্ৰীয় চৰকাৰৰ 'জল জীৱন আঁচনি'ৰ আওঁতাত পানী যোগান আঁচনিখন ৩৫.৩২ লক্ষ টকা ধন ব্যয়েৰে পুনৰ কাৰ্যক্ষম কৰি তোলা হয়। ত্ৰিশ লাখ লিটাৰ বহনক্ষম পানী যোগান আঁচনিখনে মুঠ ৩৩২ টা পৰিয়ালক পানী যোগানৰ বাবে ঘৰুৱা সংযোগ দিছিল। কিন্তু পৰিতাপৰ বিষয়, বুজন পৰিমাণৰ ৰাজহুৱা ধন ব্যয় কৰি কাৰ্যক্ষম কৰি তোলা আঁচনিখনত অতি নিম্নমানৰ পাইপৰ ব্যৱহাৰ আৰু ঠিকাদাৰৰ কৰ্মীৰ সোপাধিলা কামৰ বাবে আঁচনিখন ৰোগাক্ৰান্ত হৈয়েই থাকে। ইপিনে, একাধিক স্থানত পাইপ ফুটি থকাৰ বিষয়ে হিতাধিকাৰীয়ে বাৰে বাৰে অৱগত কৰাৰ পিছতো গা লৰা নাই বিভাগীয় কৰ্মী কিম্বা পৰিচালনা সমিতিখনৰ। একেদৰে বিভাগটোৰ কনিষ্ঠ অভিযন্তাই মাজে মাজে আঁচনিৰ পানী যোগানৰ বিষয়টো পৰিদৰ্শন কৰিব লাগে যদিও কাৰ্যালয়লৈ অহা-যোৱাতে সীমাবদ্ধ অভিযন্তাৰ চৰজমিন পৰিদৰ্শন। বিভাগীয় অভিযন্তা তথা কৰ্মীৰ অৱহেলা আৰু ত্ৰুটিপূৰ্ণ পৰিচালনাৰ বাবে ৰাইজ বিশুদ্ধ পানী লাভৰ পৰা বঞ্চিত হৈ আছে। ঠিকাদাৰৰ কণী পৰা হাঁহ হৈ পৰা নায়কপাৰা পানী যোগান আঁচনিখন ৰাইজক বিশুদ্ধ খোৱা পানী যোগানৰ নামত প্ৰহসন হৈ পৰিছে। তেনে পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ '২০২৪ ত ঘৰে ঘৰে বিশুদ্ধ খোৱা পানী'ৰ শ্ল'গানটোও অৰ্থহীন হৈ পৰিছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ বিয়াগোম জনস্বাস্থ্য কাৰিকৰী বিভাগটোৱে কি পদক্ষেপ লয় সেয়া লক্ষণীয় হ'ব।

# মুছলপুৰত এচিআৰডিৰ স্বাস্থ্য শিবিৰ

ই-সংবাদ, মুছলপুৰ, ২৬ নৱেম্বৰঃ বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী ভোগপাৰাত আজি অসমৰ এটি আগশাৰীৰ বেচৰকাৰী সংস্থা এচিআৰডিৰ উদ্যোগত আৰু এছ বি আই ফাউণ্ডেচনৰ অৰ্থ সাহায্যত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। গাঁৱৰ সৰ্বসাধাৰণ লোকসকলক প্ৰাথমিক পৰ্যায়ৰ সকলোধৰণৰ স্বাস্থ্য সম্বন্ধীয় সা-সুবিধা প্ৰদান কৰাটো মূল লক্ষ্য হিচাপে লৈ আৰম্ভ কৰা বিশেষ স্বাস্থ্য শিবিৰে বাক্সা জিলাৰ প্ৰায় ২০ খনকৈ গাঁও সামৰি লৈছে। আছাম চেণ্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডি নামৰ সংস্থাটোৱে বাক্সা জিলাৰ অন্তৰ্গত গাঁওসমূহলৈ এটি টীমৰ সহায়ত গৈ গাঁৱৰ সৰ্বসাধাৰণ লোকসকলৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিভিন্ন ধৰণৰ ৰোগৰ ঔষধ বিতৰণ কৰা বুলি অৱগত কৰে এছ বি আই সঞ্জীৱনী নামেৰে নামাকৰণ কৰা প্ৰকল্পটোৰ বাক্সা জিলা প্ৰকল্প বিষয়া কল্যাণ ডেকাই। তেওঁ লগতে জানিবলৈ দিয়া অনুসৰি বৰ্তমানলৈকে জিলাখনৰ অন্তৰ্গত ভূটানখুটী, সুবনখাটা, দিহিৰা, দুৰ্গাপুৰ, সুবনশ্ৰী, ধনশ্ৰীপুৰ, দিহিৰা আৰ এফ, মধুপুৰ, এ-ব্লক, বি-ব্লক, চি-ব্লক, ডুমুনী, অৰনিবিল, সোণাপুৰ, অহোপা, ডেকাডোং, ভোগপাৰা, নাহৰবাৰী, নাৰায়ণপুৰ, পলাশগুৰিকে ধৰি কেবাখনো গাঁৱত স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি আহিছে। উল্লেখ্য যে আজি সাৰথি হাস্পতাল নলবাৰীৰ সহযোগত অনুষ্ঠিত বিশেষ স্বাস্থ্য শিবিৰত বহু কেইগৰাকী বিশেষজ্ঞ চিকিৎসকে উপস্থিত থাকি ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰি পৰামৰ্শ প্ৰদান কৰে। লগতে স্বাস্থ্য পৰীক্ষা কৰা তিনি শতাধিক ৰোগীক বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়। আজিৰ স্বাস্থ্য শিবিৰত এচিআৰডিৰ সভাপতি নৱজ্যোতি শৰ্মা আৰু জ্যেষ্ঠ কাৰ্যনিবাহক সদস্য প্ৰদীপ্ত চাংকাকতি উপস্থিত থাকে।

# গোলাঘাটৰ ঐতিহাসিক সাতশ ঘৰীয়া চিনাতলী বৰ নামঘৰত ন-শৰাই অৰ্চনা

**ই-সংবাদ, গোলাঘাট, ২৬ নৱেম্বৰঃ** চিনাতলী বৰনামঘৰ মহিলা পৰিষদৰ উদ্যোগত প্ৰতিবছৰৰ দৰে এই বছৰো পৰম্পৰা অনুসৰি আঘোণ মাহৰ ১০ তাৰিখে আহিনীয়া মহিলা নাম সমৰণিৰ দিনটোতে গাঁৱৰ সকলোৱে মিলি চিনাতলী বৰ নামঘৰত ৬০টা বংশৰ লোকে একলগে ন চাউল লগায়। গাঁৱৰ মহিলাসকলে ভদিয়া নাম সামৰণিৰ পিছত আহিন মাহৰ প্ৰতি বৃহস্পতিবাৰৰ বিয়লি ভাগত সদায় নাঘৰত আই নাম পৰিৱেশন কৰি গাঁওখনত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰি আহিছে। আজি শ শ গোপিনীৰ উপস্থিতত গাঁৱৰ পাঠকসকলে ভাগৱত, কীৰ্তন পাঠ কৰাৰ অন্তত গোপিনীসকলে আই নামেৰে অনুষ্ঠান ভাগি সমৰণি মাৰে। এই কৰ্মভাগিত চিনাতলী বৰনামঘৰৰ বুঢ়া ডাঙৰীয়াৰ শ্ৰী চৰণত ন চাউলৰ উপৰি পায়সৰ এভাগি ভোগ অৰ্চন কৰি এই বছৰলৈ মহিলা নামৰ সামৰণি মাৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ‘বহুবাক’ৰ বহুভাষিক কবি সন্মিলন

**ই-সংবাদ, গুৱাহাটী, ২৬ নৱেম্বৰঃ** ৰাজ্যখনৰ বহু পথিকৃৎ সাহিত্য অনুষ্ঠান ‘বহুবাক’( হুভাষিক সাহিত্য মঞ্চ, অসম) ৰ উদ্যোগত আজি দিনৰ তিনি বজাৰ পৰা গুৱাহাটী প্ৰেছ ক্লাবত এখনি বহুভাষিক কবি সন্মিলন আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত অনুষ্ঠিত হয়। বিষ্ণুপ্ৰিয়া মণিপুৰী নৱজাগৰণৰ অন্যতম সাহিত্যিক, জাতীয় কবি গোকুলানন্দ গীতিস্বামীৰ ১২৮ সংখ্যক ওপজা বাৰ্ষিকী উপলক্ষে আয়োজন কৰা কবি সন্মিলনখনি সঞ্চালনা কৰে বহুবাকৰ লগতে বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহই। বহুবাকৰ প্ৰধান সম্পাদক তথা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য দীপক শৰ্মাই আঁত ধৰা অনন্য কবি সন্মিলনৰ আদিতে গোকুলানন্দ গীতিস্বামীৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত ন্যায়ধীশ তথা বিশিষ্ট চিন্তাবিদ, লেখক বিনয় কুমাৰ শৰ্মাই। শ্ৰী শৰ্মাই তেওঁৰ নাতিদীৰ্ঘ ভাষণত কয় যে সাম্প্ৰতিক সমাজত কবি-সাহিত্যিকসকলৰ গুণ-গৰিমা  চৌদিশে বিয়পি পৰিছে। বৰ্তমান আৰু শৰাইঘাটৰ ৰণ নহয়, সৰ্বাধিক সংখ্যকে গভীৰৰ পৰা গভীৰতালৈ যাব নোখোজে। সভাত অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰীয়ে মুখ্য অতিথিৰ ভাষণত কয় যে আমি এটি ছাতিৰ তলতে থাকিব লাগে। সকলো সৰু বৰ জাতি-জনজাতিক আঁকোৱালি লৈ আমি সাহিত্য-সাংস্কৃতিক পথাৰখন কপকপিয়া কৰিব লাগে। দেউৰী সাহিত্য সভাৰ সভাপতি তথা প্ৰশাসনিক বিষয়া ড০ ষড়ানন দেউৰীয়ে কয় যে বহুবাকে অসমৰ সৰু-বৰ জনগোষ্ঠীবোৰৰ ভাষা সংৰক্ষণ, সংবৰ্ধনৰ কাম কৰি আছে। সভাত ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, অৱসৰপ্ৰাপ্ত কৰ্ণেল বিজয় সিংহই বিশিষ্ট অতিথিৰ ভাষণত বহুবাকৰ প্ৰদক্ষেপক অভিনন্দন জনায়। সভাত কিশোৰ কুমাৰ জৈন, কৃষ্ণৰাম মিলি, ড০ সুষমা মজুমদাৰ, ৰূপক জি দুৱৰা, মীনাক্ষী চক্ৰৱৰ্তী, প্ৰশান্ত গগৈ (সম্পাদক, মাহেকীয়া আলোচনী 'সংযোগ'), শশধৰ ডেকা, তুলতুল কুমাৰ দাস, মৃদুলা বৰা, বৃন্দালী দেৱী, দ্বিজেন কামান, অৱসৰপ্ৰাপ্ত কেপ্টেইন অশ্বিনী কুমাৰ সিনহা, জগদীশ পাটগিৰি, তৰালী ডেকা, অখিল চন্দ্ৰ গোস্বামী, দেৱযানী ৰাজবংশী, পূৰবী বৰুৱা, ৰাজলক্ষ্মী শইকীয়া লাহন, জীৱেশ্বৰ গোস্বামী, কনক চন্দ্ৰ ডেকা,বিভাষ দাস, প্ৰতাপ চন্দ্ৰ সিংহ প্ৰকৃতিয়ে কবিতা পাঠ কৰে।

# ছ'লাৰ লাইট বিতৰণৰ নামত ধুবুৰী জিলা পৰিষদত ব্যাপক দুৰ্নীতি

**ই-সংবাদ, গোলকগঞ্জ, ২৬ নৱেম্বৰঃ** ধুবুৰী জিলা পৰিষদত চৰকাৰী আঁচনিৰ ছ'লাৰ লাইট বিতৰণৰ ক্ষেত্ৰত চৰম দুৰ্নীতি-লুণ্ঠনৰ অভিযোগ উত্থাপিত হৈছে। ছ'লাৰ লাইট বিতৰণৰ কেলেংকাৰি গাপ দিয়াৰ উদ্দেশ্যে আৰ টি আইৰ আবেদনৰ তথ্য লুকুওৱাৰ চেষ্টা চলাইছে বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে। ন মাহ পিছত তথ্য যোগান ধৰে যদিও বিসংগতিপূৰ্ণ তথ্য যোগান ধৰাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ বিৰুদ্ধে কালি কামতাপুৰ পিপলছ পাৰ্টীৰ ধুবুৰী জিলা সভাপতি তথা আৰটিআই কৰ্মী নিখিল ৰায়ে গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। জানিব পৰা মতে, নিখিল ৰায়ে চলিত বছৰৰ ৩০ জানুৱাৰীত ২০১৮-২০১৯ বিত্তীয় বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ধুবুৰী জিলা পৰিষদ ছ'লাৰ লাইট ছেটসমূহ কোন কোন ভেণ্ডাৰৰ জৰিয়তে বিতৰণ কৰা হৈছিল। ভেণ্ডাৰসমূহৰ পঞ্জীয়ন প্ৰমাণ পত্ৰ, ক'ত, ক'ত, কিমান দিছে আদি বিভিন্ন তথ্য বিচাৰি আবেদন জনায়। কিন্তু তথ্যৰ যোগান নধৰি বিভিন্ন অজুহাতত বিধি-পথালি দিয়ে। এই সংক্ৰান্তত অসম তথ্য আয়োগত অভিযোগ দিয়ে ৰায়ে। আয়োগত শুনানিৰ পিছত দহ দিনৰ ভিতৰত তথ্য যোগান ধৰাৰ নিৰ্দেশ দিয়ে। সেই মতে তথ্য যোগান ধৰে যদিও তথ্যসমূহ ত্ৰুটিপূৰ্ণ আৰু আধৰুৱা। ছ'লাৰ লাইট ছেটসমূহ কোন কোন ভেণ্ডাৰে পালে, কেনেকৈ পালে, প্ৰতিটো ছ'লাৰৰ বিপৰীতে কিমান ধন আবণ্টন পাইছিল এনে কোনো ধৰণৰ তথ্য প্ৰদান কৰা নাই। তদুপৰি যোগান ধৰা তথ্যসমূহত জিলা পৰিষদৰ সভাপতি আৰু কাৰ্যবাহী সচিবৰ চহীও জাল বুলি অভিযোগ উত্থাপন কৰি কালি নিখিল ৰায়ে গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে।

# মধ্যাহ্ন ভোজনক লৈ ডিমাপুৰ প্ৰাথমিক বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, কলগাছিয়া, ২৬ নৱেম্বৰঃ** বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত কলগাছিয়াৰ ১১৫০ নং ডিমাপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমাংগ দাস আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰফিকুল ইছলামৰ বিৰুদ্ধে উত্থাপন হৈছে ব্যাপক দুৰ্নীতি আৰু অনিয়মৰ অভিযোগ। অভিযোগ অনুসৰি প্ৰধান শিক্ষক হেমাংগ দাসে নিজৰ মইমতালিৰে চলাইছে বিদ্যালয়। প্ৰত্যেক দিনাই মদ্যপান কৰি বিদ্যালয়ত উপস্থিত হোৱাৰ এক ভয়ংকৰ অভিযোগ প্ৰধান শিক্ষক হেমাংগ দাসৰ বিৰুদ্ধে। তদুপৰি, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰফিকুল ইছলামে বিদ্যালয়ৰ পৰা চাউল চুৰি কৰি নিজৰ ঘৰত লৈ যোৱাৰ এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰান্ধনীৰ লগতে ৰাইজে। আনকি প্ৰধান শিক্ষকে ৰান্ধনীক দিয়া চাউল, দালি, মিঠাতেল, পিঁয়াজ, নহৰু আদি বস্তু সভাপতি ৰফিকুল ইছলামে আত্মসাৎ কৰা বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ইফালে, বিদ্যালয়খনৰ প্ৰধান শিক্ষক হেমাংগ দাসে ৰাইজৰ অভিযোগ খণ্ডন কৰে যদিও কিছু ইফাল-সিফাল আছে বুলি স্বীকাৰোক্তি দিয়ে। আনহাতে, মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত ব্যাপক খেলিমেলি হোৱাৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰফিকুল ইছলামে মধাহ্ন ভোজনৰ চাউল লৈ যায় বুলিও প্ৰধান শিক্ষকৰ সন্মুখতে ৰান্ধনীয়ে অভিযোগ উত্থাপন কৰে। এই ক্ষেত্ৰত প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ বিৰুদ্ধে তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ উৰ্ধতন কৰ্তৃপক্ষক দাবী জনাইছে ৰাইজে।

# শিৱসাগৰ নেহৰু যুৱকেন্দ্ৰৰ যুৱ উৎসৱ, দুই শতাধিকৰ অংশগ্ৰহণ

**ই-সংবাদ শিৱসাগৰ, ২৬ নৱেম্বৰঃ** শিৱসাগৰ নেহৰু যুৱকেন্দ্ৰৰ উদ্যোগত আজি জিলা পৰ্যায়ত "যুৱ উৎসৱ-২০২৪" উদযাপন কৰা হয়। শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ প্ৰেক্ষাগৃহত উদযাপন কৰা যুৱ উৎসৱত ১৫ বছৰৰ পৰা ২১ বছৰ বয়সৰ দুই শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। যুৱ উৎসৱৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জিলা ভিত্তিত দলীয়ভাৱে বিজ্ঞান প্ৰদৰ্শনী মেলা, লোক নৃত্য, ব্যক্তিগত বিজ্ঞান মেলা, ফটোগ্ৰাফী প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, ডিক্লেমেচন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিবলৈ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি মূল পাঁচটা সংকল্প লোৱাৰ কথা উল্লেখ কৰিছে তাকে থিম হিচাপে লৈ অনুষ্ঠিত কৰা যুৱ মহোৎসৱত বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অধ্যক্ষা মঞ্জু চেতিয়া, জিলা পশুপালন বিষয়া খনীন্দ্ৰদেৱ গোস্বামী আদিকে ধৰি কেইবাগৰাকী ব্যক্তি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। প্ৰতিযোগিতাত মুঠ ৭০ হেজাৰৰো অধিক টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। ব্যক্তিগত শাখাৰ বিজ্ঞান মেলাত তনময় ফুকনে প্ৰথম, প্ৰিয়ানুজ কাশ্যপে দ্বিতীয় আৰু অভিশ্ৰুতি দুৱৰাই তৃতীয় পুৰস্কাৰ লাভ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় স্থান লাভ কৰে ক্ৰমে ভায়'লিনা বৰুৱা, দীপাংকৰ গগৈ, পঞ্চী কোঁৱৰে। সাংস্কৃতিক প্ৰতিযোগিতাত প্ৰিন্সি গগৈয়ে প্ৰথম, স্বাগতা গগৈয়ে দ্বিতীয়, কস্তুৰী বৰগোঁহাইয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। সেইদৰে ফটোগ্ৰাফী প্ৰতিযোগিতাত প্ৰথম স্থান জুনা ফুকনে, দ্বিতীয় বিকি চেতিয়াই আৰু তৃতীয় স্থান লাভ কৰে ৰিংকু ৰিদিপ দত্তই। যুৱক-যুৱতীসকলৰ প্ৰতিভা বিকাশৰ বাবে, উৎসাহিত কৰিবৰ বাবে ভাৰত চৰকাৰৰ অধীনত নেহৰু যুৱ কেন্দ্ৰই লোৱা এনে পদক্ষেপ অতি আদৰণীয় বুলি মন্তব্য কৰিছে প্ৰধান শিক্ষয়িত্ৰী মঞ্জু চেতিয়াই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# মৰিগাঁৱত নেহৰু যুৱ কেন্দ্ৰৰ সংবিধান দিৱস উদযাপন

**ই-সংবাদ, লাহৰীঘাট,২৬ নৱেম্বৰঃ** বঘৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা চাৰণ বিল কমপ্লেক্স লৈ পাচ শতাধিক যুৱক যুৱতীৰ পদ্ যাত্ৰা । আজি ভাৰতীয় সংবিধান দিৱস সমগ্ৰ ভাৰতৰ লগতে মৰিগাঁও জিলা নেহৰু যুৱ কেন্দ্ৰ ৰ উদ্যোগত আৰু সেউজ কৃষক সংঘৰ সহযোগত আৰু বঘৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আতিথ্য ত ৭৫ তম ভাৰতীয় সংবিধান দিৱস উদযাপন কৰা হয়। বঘৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুৱাৰ ভাগত প্ৰাৰ্থনা ৰ লগতে সংবিধানৰ প্ৰস্তাৱনাৰ শপত পাঠ কৰে বিষয় শিক্ষয়িত্ৰী ৰিশিতা ডেকাই । তাৰ পাছতেই বঘৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা চাৰণ বিল কমপ্লেক্স লৈ দুই কিলোমিটাৰ পথ পদযাত্ৰা অনুষ্ঠিত কৰা হব । পদযাত্ৰা অনুষ্ঠিত অনুষ্ঠানত অসম সাহিত্য সভাৰ ৰাজ্যিক সদস্য তথা শিক্ষক কুশল চন্দ্ৰ বৰা , ক্ৰীড়াবীদ তথা শিক্ষক ভৱ কুমাৰ নাথ,কবি সাহিত্যিক তথা শিক্ষক খগেন চন্দ্ৰ বৰা , অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ প্ৰাক্তন সভাপতি বসন্ত ডেকা কে ধৰি বহু গণ্য মান্য লোক উদ্বোধনী অনুষ্ঠান ত উপস্থিত থাকি ভাষণ আগবঢ়ায় । বিদ্যালয়ৰ অধ্যক্ষ দিলিপ কুমাৰ ৰজা ই সেউজীয়া ফ্লেগ অৱ কৰি পদযাত্ৰা শুভ উদ্বোধন কৰা অনুষ্ঠান ত সদৌ অসম কৃষক সংঘ ৰ কাৰ্য বাহী সভাপতি তুলসী ডেকাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায়। ভাৰতীয় সংবিধান খনক সন্মান জনাই পৃথিৱীৰ সবাতোকৈ দীঘলীয়া সংবিধান খনত থকা ধৰ্ম নিৰপেক্ষ আৰু সাৰ্বভৌমত্ব বজাই ৰাখিবলৈ উপস্থিত সকলোকে আহ্বান জনায়। আজি পবিত্ৰ দিন টোত সমগ্ৰ ভাৰত বাসীৰ লগতে অসম তথা মৰিগাঁও জিলা নেহৰু যুৱ কেন্দ্ৰ ই আয়োজন কৰা সংবিধান দিৱসত সংকল্প গ্ৰহণ কৰিছোঁ আমাৰ সংবিধান অক্ষুণ্ণ ৰাখিম আমি বিশ্বৰ সৰ্ববৃহৎ সংবিধান খনক লৈ গৌৰৱ কৰিছো ।



নলবাৰীৰ ৰাসত বিশেষ প্ৰদৰ্শনী পৰিদৰ্শন বশিষ্ঠ বুজৰবৰুৱাৰ

শ্ৰেষ্ঠ নাট্যদল 'ৰাজমুকুট', নাটক 'প্ৰভুভক্ত' , প্ৰাঞ্জনা দত্ত-উৎপল দাস শ্ৰেষ্ঠ অভিনয় শিল্পী

# ভ্ৰাম্যমাণ থিয়েটাৰৰ অঘোষিত ফাইনেলৰ ফলাফল ঘোষণা, বঁটা প্ৰদান

**ই-সংবাদ, নলবাৰী, ২৬ নৱেম্বৰঃ** ভ্ৰাম্যমাণ থিয়েটাৰৰ বিগত বৰ্ষৰ অঘোষিত ফাইনেলৰ অৱশেষত ফলাফল ওলাল। ফলাফল ঘোষণাৰ উপৰি কালি বঁটাসমূহো প্ৰদান কৰা হয়। নলবাৰীৰ পৰা গৈ বিশ্ব দৰবাৰত সু-অভিনেত্ৰী হিচাপে প্ৰতিষ্ঠিত হোৱা সীমা বিশ্বাস, ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা নলবাৰীৰ বিধায়ক জয়ন্ত মল্লবৰুৱা, ৰাস উদযাপন সমিতিৰ বিষয়ববীয়াৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিগত বৰ্ষৰ অৰ্থাৎ ৯০ সংখ্যক নলবাৰী ৰাস মহোৎসৱত প্ৰদৰ্শিত ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ কালি আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। জয়ন্ত মল্লবৰুৱাই এই বঁটা বিতৰণী সভাত অধ্যক্ষতা কৰে। জানিব পৰা মতে, বিগত বৰ্ষত নলবাৰীৰ ৰাস উপলক্ষে নাট প্ৰদৰ্শন কৰা নাট্যদলসমূহৰ মাজৰ পৰা শ্ৰেষ্ঠ নাট্যদলৰ বঁটা ৰাজমুকুট থিয়েটাৰক প্ৰদান কৰাৰ বিপৰীতে শ্ৰেষ্ঠ নাটকৰ বঁটা বৃন্দাবন থিয়েটাৰৰ 'প্ৰভুভক্ত'ক প্ৰদান কৰা হয়। একেদৰে, ৰাজমুকুট থিয়েটাৰৰ 'ব্ৰহ্মচাৰী'ত কৰা অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতা বঁটা উৎপল দাসলৈ আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা ৰাজতিলক থিয়েটাৰৰ 'অৰ্ধনাৰী' নাটকত কৰা অভিনয়ৰ বাবে প্ৰাঞ্জনা দত্তলৈ আগবঢ়োৱা হয়। আন আন শিতানত প্ৰদান কৰা বঁটাসমূহ এনেধৰণৰ- শ্ৰেষ্ঠ জনপ্ৰিয় নাটক 'মোৰ কেঁচুৱাই কান্দিছে' (থিয়েটাৰ সূৰ্য), শ্ৰেষ্ঠ নাট্যকাৰ মৃদুল চুতীয়া(নাটক : 'ABCD'), শ্ৰেষ্ঠ পৰিচালক ৰাজেশ ভূঞা (নাটক- 'প্ৰভুভক্ত', বৃন্দাবন থিয়েটাৰ), শ্ৰেষ্ঠ সহঃ অভিনেতা নৰজ্যোতি কাশ্যপ (নাটক- 'মোৰ কেঁচুৱাই কান্দিছে', থিয়েটাৰ সূৰ্য), শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী কাজল শৰ্মা (নাটক-'হাত', বৰদৈচিলা থিয়েটাৰ), শ্ৰেষ্ঠ কৌতুক অভিনেতা নাজিমুল ইছলাম (নাটক- 'কেপ্তেইন অবিনাশ', ইতিহাস থিয়েটাৰ), শ্ৰেষ্ঠ খলনায়ক অভিনেতা যোগেশ কাশ্যপ (নাটক-'ব্ৰহ্মচাৰী', ৰাজমুকুট থিয়েটাৰ), শ্ৰেষ্ঠ নৃত্যশিল্পী সমন্বয়ৰ সেতু নাটিকাৰ নৃত্য শিল্পীসকল (লুইতপৰীয়া থিয়েটাৰ), শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল হেঙুল থিয়েটাৰ, শ্ৰেষ্ঠ মঞ্চসজ্জা বিপুল ৰায় (থিয়েটাৰ সূৰ্য), শ্ৰেষ্ঠ আলোক শিল্পী চম্পক কলিতা (ৰাজমুকুট থিয়েটাৰ)। সভাপতিৰ বিশেষ বঁটা লাভ কৰে পৰেশ ৰায়ে। উল্লেখ্য যে দুৰ্গোৎসৱ উপলক্ষে সাহপুৰ ৰাজঘাট, বেলশৰ, বিহামপুৰ, ককয়া, কৈঠালকুছিকে ধৰি পশ্চিম নলবাৰীৰ বিভিন্ন প্ৰান্তত কেইবাখনো ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট প্ৰদৰ্শনক সংশ্লিষ্ট ক্ষেত্ৰৰ অঘোষিত ছেমি ফাইনেল বুলি কোৱা হোৱাৰ উপৰি নলবাৰীৰ ৰাস মহোৎসৱ ভ্ৰাম্যমাণ থিয়েটাৰৰ অঘোষিত ফাইনেল হিচাপে চৰ্চিত হৈ আহিছে। কিয়নো ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি নলবাৰীত প্ৰায়বোৰ ভ্ৰাম্যমাণ নাট্যদলে নাট মঞ্চস্থ কৰে। আনকি ইয়াৰ পৰাই নাটক, অভিনয় শিল্পীৰ বছৰটোৰ শ্ৰেষ্ঠত্বৰো এক চৰ্চা হয়। এইবাৰো ইয়াৰ ব্যতিক্ৰম নহয়। বিগত বৰ্ষসমূহৰ দৰে এইবেলিও নলবাৰী ৰাস মহোৎসৱত চলিছে ভ্ৰাম্যমাণ থিয়েটাৰৰ অঘোষিত নাট্যযুদ্ধ। এইবেলি নলবাৰী ৰাসত মুঠ ১০খন ভ্ৰাম্যমাণ থিয়েটাৰে প্ৰদৰ্শন কৰি আছে নাট। সেইমৰ্মে ২১ আৰু ২২ নৱেম্বৰত লখিমী পথাৰত বৰদৈচিলা থিয়েটাৰে, ২৩, ২৪, ২৫ আৰু ২৬ নৱেম্বৰলৈ ৰাজলক্ষ্মী থিয়েটাৰে, ২২, ২৩, ২৪, ২৫ আৰু ২৬ নৱেম্বৰলৈ ৰাজতিলক থিয়েটাৰে, ২৩, ২৪, ২৫, ২৬ আৰু ২৭ নৱেম্বৰলৈ ৰাজমুকুট থিয়েটাৰে, ২৩, ২৪, ২৫ আৰু ২৬ নৱেম্বৰলৈ বৃন্দাবন থিয়েটাৰে, ২৪, ২৫, ২৬ আৰু ২৭ নৱেম্বৰলৈ থিয়েটাৰ সূৰ্য আৰু ২৩, ২৪,২৫, ২৬ আৰু ২৭ নৱেম্বৰলৈ দৌলখলা (গৰুবজাৰ)ত ইতিহাস থিয়েটাৰে নাট প্ৰদৰ্শন কৰি আছে। ছহিদ মুকুন্দ কাকতি বাছ আস্থানৰ সমীপত ২১, ২২ আৰু ২৩ নৱেম্বৰলৈ কলাগুৰু থিয়েটাৰ, ২৪, ২৫, ২৬ আৰু ২৭ নৱেম্বৰলৈ ৰাজধানী থিয়েটাৰে নাট প্ৰদৰ্শন কৰি আছে।

## বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদামত ১৪ খন দেশৰ শতাধিক পৰ্যটক

**ই-সংবাদ, ২৬ নৱেম্বৰঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদামস্থলীৰপৰা অভিজিৎ ভূঞা, ২৬ নৱেম্বৰঃ আজিৰেপৰা আৰম্ভ হোৱা ১২ সংখ্যক আন্তৰ্জাতিক পৰ্যটন সন্মিলনত অৰ্থাৎ ইণ্টাৰনেছনেল ট্যুৰিজিম মাৰ্তত অংশগ্ৰহণ কৰিবলৈ অহা শতাধিক বিদেশী পৰ্যটক আজি আহি উপস্থিত হ'ল চৰাইদেউ মৈদাম ক্ষেত্ৰ। আজি চীন, থাইলেণ্ড, ভিয়েটনাম, স্পেইনকে ধৰি চৈধ্যখন দেশৰ লগতে ভাৰতৰ শতাধিক পৰ্যটকে পৰিদৰ্শন কৰিলে চৰাইদেউ মৈদাম। মৈদাম ক্ষেত্ৰত উপস্থিত হৈ পৰ্যটকসকলে টাই আহোম পৰম্পৰাগত "ফুৰালুং" প্ৰথাৰ লগতে অসমীয়া খাদ্যাভাস তথা সংস্কৃতিৰ বুজ লয় স্থানীয় লোকৰ পৰা। আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ প্ৰতিও আকৃষ্ট হোৱা বুলি মত প্ৰকাশ কৰে। আনহাতে ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱা চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটনৰ যথেষ্ট সম্ভাৱনা থকা বুলি মন্তব্য কৰি পৰ্যটক সকলে আন্তঃগাৰ্থনি উন্নয়নৰ বাবে আৰু কিছু আঁচনি গ্ৰহণ কৰা প্ৰয়োজন আছে বুলি দোহাৰে।

## আটাছুৰ ডুমডুমা আঞ্চলিকৰ উদ্যোগত লাচিত দিৱস উদযাপন

**ই-সংবাদ, ডুমডুমা, ২৬ নৱেম্বৰঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা, চমুকৈ ' আটাছু ' ৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত, তিনিচুকীয়া জিলা সমিতি তথা বৃহত্তৰ ৰূপাই-ডুমডুমাবাসী ৰাইজৰ সহযোগত ৰূপাই চাইডিং তপোবনস্থিত টাই ভাষা-সংস্কৃতি চৰ্চা আৰু সংৰক্ষণ কেন্দ্ৰৰ প্ৰাংগণত ২৪ নৱেম্বৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসমৰ ক্ষণজন্মা জাতীয় বীৰ লাচিত বৰফুকনৰ ৪০২ বছৰীয়া জয়ন্তী উলহ-মালহেৰে উদযাপন কৰা হ'য়। এই উপলক্ষে পুৱা উদযাপন সমিতিৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি তথা বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী চন্দ্ৰকান্ত সন্দিকৈয়ে। ' আটাছু ' ৰ পতাকা উত্তোলন কৰে ' আটাছু ' ৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি ৰাহুল আৰন্ধৰাই। মৈদাম তৰ্পণ কৰে সমাজকৰ্মী গোবিন্দ ফুকনে। লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী ড° প্ৰফুল্ল মেধিৰ লগতে সমাজকৰ্মীত্ৰয় ক্ৰমে - তিলেশ্বৰ গগৈ, থমাছ গগৈ আৰু অৰূপ কুমাৰ বৰুৱাই। " খেক-ফ্ৰী" পূজাৰ পাছতেই বৃহত্তৰ ৰূপাই-ডুমডুমা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী তথা শিশুসকলৰ মাজত ছবি আঁকা, ৰচনা, প্ৰশ্নবান, আকস্মিক বক্তৃতা, সংগীত চকী আদি প্ৰতিযোগিতা অনুষ্ঠিত হ'য়। সন্ধিয়াৰ ভাগত অনুষ্ঠিত হ'য় মুকলি সভা আৰু বঁটা-বিতৰণী অনুষ্ঠান। উদযাপন সমিতিৰ সভাপতি চন্দ্ৰকান্ত সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰাতুল গগৈয়ে। সভাত স্থানীয় তথা ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ উপৰিও ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল কাদিৰ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বদন শৰ্মা, বেণু বড়া, সমাজকৰ্মী গোবিন্দ ফুকন, সুৰজিত বুঢ়াগোহাঁই, " আটাছু" ৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক দীপাংকৰ গগৈ, জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ইন্দ্ৰজিৎ দুৱৰী, জিলা সমিতিৰ সাংগঠনিক সম্পাদক পাৰ্থ চেতিয়া, তিনিচুকীয়া সদৰ সমিতিৰ সভাপতি প্ৰাচুৰ্য বুঢ়াগোহাঁই, যুটীয়া সম্পাদক কেলভিন গগৈৰ লগতে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি আৰু " আটাছু " ৰ জিলা-আঞ্চলিকৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। উক্ত সভাতেই বিধায়ক ৰূপেশ গোৱালাই টাই ভাষা-সংস্কৃতি চৰ্চা আৰু সংৰক্ষণ কেন্দ্ৰটিৰ সন্মুখ ভাগৰ নিৰ্মাণকাৰ্যৰ বাবে বিধায়ক পুঁজিৰ তৰফৰ পৰা ০৩ (তিনি) লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

# ৰঙিয়াত এছ বি আইৰ ডিজিটেল মাধ্যমৰ ব্যৱহাৰিক গ্ৰাহক সজাগতা সভা

**ই-সংবাদ, ৰঙিয়া, ২৬ নৱেম্বৰঃ** ডিজিটেল মাধ্যমে অৰ্থনৈতিক ক্ষেত্ৰত ব্যাপক প্ৰসাৰতা লাভ কৰাৰ প্ৰতি লক্ষ্য ৰাখি বেংক তথা বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ গ্ৰাহক সকলক সজাগ কৰি তোলাৰ লক্ষ্য আগত ৰাখি মঙলবাৰে সমগ্ৰ ৰাষ্ট্ৰজুৰি কাৰ্যসূচী ৰূপায়ণ কৰে ষ্টেট বেংক অব ইণ্ডিয়াই। ডিজিটেল মাধ্যমৰ যোগেদি আৰ্থিক লেনদেন কৰি অহা জনসাধাৰণ প্ৰৱঞ্চিত হোৱাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যৰে ৰঙিয়াতো অনুষ্ঠিত কৰা হয় সজাগতামূলক সভা। ৰঙিয়াৰ হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত বিয়লিৰ ভাগত ৰূপায়িত সজাগতামূলক সভাত বেংকটোৰ মাগুলিক প্ৰৱন্ধক সৰ্বেশ কুমাৰ উপস্থিত থাকে। ভাষণ প্ৰসংগত সাম্প্ৰতিক সময়ত গ্ৰাহকসকলে গ্ৰহণ কৰা ডিজিটেল মাধ্যমৰ সুবিধা সন্দৰ্ভত অৱগত কৰি একাংশ ডিজিটেল মাধ্যমৰ গ্ৰাহকে সন্মুখীন হৈ অহা প্ৰৱঞ্চনামূলক অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰত প্ৰতিজন গ্ৰাহকক উদ্দেশ্যি সচেতনতাৰ বাণী সমৃদ্ধ ভাষণ ৰাখে মাগুলিক প্ৰৱন্ধক গৰাকীয়ে। বিশেষকৈ আৰ্থিক লেনদেনৰ সময়ত পাছৱৰ্ড, অ'টিপিৰ তথ্য প্ৰদান কৰাকে ধৰি বিভিন্ন দিশত সচেতন হ'বলৈও আহ্বান জনায়। একেখন মঞ্চতে আন এগৰাকী মুখ্য প্ৰৱন্ধক (অপাৰেশ্যন) অভিষেক দ্বীপে কয় যে ৰাজহুৱা স্থানৰ ৱাই-ফাই আদিৰ ব্যৱহাৰৰ লগতে অনলাইন লটাৰীকে ধৰি আন বিভিন্ন উপায়েৰে প্ৰৱঞ্চনাৰ ঘটনা সংঘটিত হৈ আহিছে। গ্ৰাহকসকলে ঘটনা ৰোধৰ প্ৰতি সজাগ হ'বলৈ সমবেত গ্ৰাহকসকলে আত্ম সচেতনতাৰ মাধ্যমৰে এনে ঘটনাৰ ৰোধ কৰিবলৈ সক্ষম হ'ব বুলি দোহাৰে। আনহাতে এটিএম কাৰ্ডৰব্যৱহাৰৰ ক্ষেত্ৰত প্ৰৱঞ্চনাৰসন্মুখীন হ'লে গ্ৰাহকসকলে ১৯৩০ ফোন নম্বৰযোগে যোগাযোগ কৰিব পাৰিব বুলিও সদৰি কৰে দ্বীপে। ৰঙিয়া নগৰ শাখাৰ মুখ্য প্ৰৱন্ধক ঘনশ্যাম কুমাৰ সিঙে ডিজিটেল মাধ্যমৰ দ্বাৰা ধনৰ লেনদেন কৰোতে গ্ৰাহকসকলক অধিক সাৱধান হ'বলৈ আহ্বান জনায়। বেংকটোৰ ব্যৱস্থাপনা প্ৰৱন্ধক ৰিপুঞ্জয় তালুকদাৰ, ৰঙিয়া বজাৰ শাখা আৰু সোনেশ্বৰ শাখাৰ প্ৰৱন্ধকদ্বয় সিদ্ধাৰ্থ মেধি আৰু পাপৰি ফুকনৰ লগতে ভালেসংখ্যক গ্ৰাহক তথা এছএছবিৰ জোৱানৰ উপস্থিতিত অনুষ্ঠিত সভাত দৃশ্য শ্ৰাব্য মাধ্যমৰে অনলাইন পদ্ধতিত লেনদেন কৰাৰ ক্ষেত্ৰত অনুসৰণ কৰিব লগা গুৰুত্বপূৰ্ণ নিৰ্দেশনাৰ প্ৰতি সজাগ কৰি তোলাৰ পদক্ষেপো গ্ৰহণ কৰা হয়।

# বৰনৰ্দ্দীত গিৰীশ চন্দ্ৰ ডেকা সোঁৱৰণী সদৌ অসম মুকলি কুইজ প্ৰতিযোগিতাৰ সামৰণি

**ই-সংবাদ, নলবাৰী, ২৬ নৱেম্বৰঃ** পশ্চিম নলবাৰী অঞ্চলৰ বৰনৰ্দ্দীত স্থানীয় নৱজ্যোতি সংঘৰ উদ্যোগত তৃতীয় বাৰ্ষিক প্ৰয়াত গিৰীশ চন্দ্ৰ ডেকা সোঁৱৰণী তৃতীয় বাৰ্ষিক সদৌ অসম মুকলি কুইজ প্ৰতিযোগিতাখন ২৪ নৱেম্বৰত বৰনৰ্দ্দী দুৰ্গা মন্দিৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন ঠাইৰ উচ্চ আৰু নিম্ন শাখাত প্ৰায় ৮০ টাৰো অধিক দলে অংশ কৰে। প্ৰতিযোগিতাৰ নিয়ম অনুসৰি বাছনি ৰাউণ্ডৰ পিছত প্ৰতিযোগিতাখনত মূল প্ৰতিযোগিতালৈ ৬ টা দল নিৰ্বাচিত কৰা হয়। ৬ টা ৰাউণ্ডৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৰঙিয়াৰ জ্যোতিদীপা পৰাশৰ আৰু নিৰ্ঝৰ দাসে প্ৰথম, নলবাৰী লিটিল ফ্লাৱাৰ স্কুলৰ বিবেক বৰ্মন আৰু সূৰজ আহমেদ দ্বিতীয়, ঘগ্ৰাপাৰৰ হিমলীনা বৰুৱা আৰু মঞ্জিষ্ঠা কুমাৰে তৃতীয়, গুৰুকুল গ্ৰামাৰ ইস্কুলৰ প্ৰিয়াংশু প্ৰীতিশ শৰ্মা আৰু ট্ৰিনাভ কাশ্যপ চতুৰ্থ, নলবাৰীৰ হিৰকজোতি তামুলী আৰু ধৃতিৰাজ শৰ্মা পঞ্চম আৰু গুৰুকুল গ্ৰামাৰ স্কুলৰ হিমাংশু ডেকা আৰু পিনাক মিশ্ৰই ষষ্ঠ পুৰস্কাৰ লাভ কৰে। নিম্ন শাখাৰ প্ৰথম ট্ৰিনাভ কাশ্যপ, দ্বিতীয় প্ৰিয়াংশু প্ৰীতিম শৰ্মা আৰু তৃতীয় পিনাক মিশ্ৰ, চতুৰ্থ পুৰস্কাৰ ধান্যতা তামুলী, পঞ্চম পুৰস্কাৰ সৃষ্টি শ্ৰয়ম বৈশ্য, ষষ্ঠ পুৰস্কাৰ দোকমোকালি গোস্বামী, সপ্তম পুৰস্কাৰ কৃতাৰ্থ বৰ্মন, অষ্টম পুৰস্কাৰ সমৰজিত কাশ্যপ, নৱম পুৰস্কাৰ উদিপ্ত কলিতা, দশম পুৰস্কাৰ তাৰিক হুছেইন, একাদশ পুৰস্কাৰ মিথিলেশ বৰ্মন, দ্বাদশ পুৰস্কাৰ অনিন্দিতা হাজৰিকা আৰু ত্ৰয়োদশ পুৰস্কাৰ প্ৰীতম ডেকাই লাভ কৰিবলৈ সক্ষম হয়। কুইজ প্ৰতিযোগিতাখন পৰিচালানা কৰে দিপাংকৰ কৌশিকে। তেওঁক সহযোগ কৰে এ চি এছ বিষয়া ৰবেন্দ্ৰ কুমাৰ দাসে। মুকলি সভা আৰু বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে কুইজ প্ৰতিযোগিতাৰ পৰিচালনা সমিতিৰ সভাপতি গিৰীশ চন্দ্ৰ তালুকদাৰে। সভাত বিশিষ্ট অতিথি আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে নলবাৰী জিলা পৰিষদৰ সহঃ অভিযন্তা গৌতম ভট্ট আৰু শিক্ষক ৰাজেন বৈশ্যই। কুইজ পৰিচালনা সমিতিৰ সম্পাদক জয়ন্ত ডেকাই আঁত ধৰা সভাত নিৰ্দিষ্ট বক্তা ৰাজেন বৈশ্যই কুইজ প্ৰতিযোগিতাৰ উচ্চ শাখাত বঁটা প্ৰাপকসকলক নিজৰ নিজৰ ঘৰৰ ওচৰৰ প্ৰথমিক, উচ্চ মাধ্যমিক বিদ্যালয়সমূহলৈ মাহেকত এদিন গৈ কুইজ কি, কুইজৰ পৰা ছাত্ৰীৰ কি লাভ হয় তাক বুজাবলৈ এক, ডেৰ ঘণ্টাৰ কুইজৰ অনুষ্ঠান কৰিবলৈ আহ্বান জনায়। আদৰণি ভাষণ প্ৰদান কৰে প্ৰয়াত গিৰিশ চন্দ্ৰ ডেকাৰ পুত্ৰ ডাঃ নয়ন মণি ডেকাই। শলাগৰ শৰাই আগবঢ়ায় প্ৰয়াত গিৰিশ চন্দ্ৰ ডেকাৰ বোৱাৰী জুৰি বৰ্মন ডেকাই। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলন কৰে বৰনৰ্দ্দী নৱজ্যোতি সংঘৰ সভাপতি বাবুল ডেকাই, মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্জলন কৰে প্ৰয়াত গিৰীশ চন্দ্ৰ ডেকাৰ সহধৰ্মিনী যামিনী ডেকাৰ লগতে বৰনৰ্দ্দী গাঁওবাসীয়ে।

# চৌকিডিঙ্গী খেলপথাৰত 'অসমী চৰচ মেলা ২০২৪'

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ নৱেম্বৰঃ** অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডিঙ্গী খেলপথাৰত যোৱা ২৩ নৱেম্বৰৰ পৰা ২ ডিচেম্বৰলৈকে অনুষ্ঠিত হৈছে "অসমী চৰচ মেলা ২০২৪" । ১০ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই "অসমী চৰচ মেলা"ৰ অনুষ্ঠানত উপস্থিতথাকে ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰচ গোৱালা, মৰাণ বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ,জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুলকুমাৰ দাস আৰু ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক নিবেদন পাটোৱাৰী।

ডিব্ৰুগড়ত অনুষ্ঠিত অসমী চৰচ মেলা ২০২৪ ত গোৱা, উত্তৰ-প্ৰদেশ, পাঞ্জাৱ, কেৰেলা, ছিক্কিম, জন্মু-কাশ্মীৰ আৰু অৰুনাচল প্ৰদেশৰ পৰা অহা আত্মসহায়ক গোটৰ বিভিন্ন সামগ্ৰীৰ বিপনী থকাৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ আত্মসহায়ক গোটে তৈয়াৰ কৰা হস্ততাঁত- হস্তশিল্প সামগ্ৰীৰ বিপনী, থলুৱা খাদ্য সামগ্ৰীৰ বিপনী থাকে।

## শালবাৰীত নতুনকৈ ৫৮ গৰাকী মেলেৰিয়াত আক্ৰান্ত ৰোগী চিনাক্ত, ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ

# কোকৰাঝাৰত মেলেৰিয়াৰ ভয়াৱহ ৰূপ, পৰিস্থিতিৰ বুজ ল'লে প্ৰমোদ বড়োৱে

**ই-সংবাদ, কোকৰাঝাৰ, ২৬ নৱেম্বৰঃ** কোকৰাঝাৰ জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী লুংচুং এলেকাৰ লগতে জিলাখনৰ আন কেবাঠাইত মেলেৰিয়াই ভয়াৱহ ৰূপ ধাৰণ কৰাৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পিছত আজি মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱৰ বিষয়ে বুজ লবলৈ লুংচুং এলেকাৰ শালবাৰী খেলপথাৰত উপস্থিত হয় বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, কোকৰাঝাৰ পূৱ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য উইলচন হাসদা। ভাৰত-ভুটান সীমান্তৱৰ্তী লুংচুং এলেকাত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱৰ বিষয়ে বুজ লবলৈ বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো আৰু বিধায়ক লৰেঞ্চ ইছলাৰী উক্ত মেলেৰিয়াপ্ৰৱণ এলেকাত উপস্থিত হোৱাত বিটিচিৰ স্বাস্থ্য বিভাগৰ থৰকাছুটি হেৰায় আৰু আজি ততাতিয়াকৈ বিটিচিৰ স্বাস্থ্য বিভাগৰ দ্বাৰা স্বাস্থ্য পৰীক্ষণ শিবিৰ অনুষ্ঠিত কৰে। আনকি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো উক্ত মেলেৰীয়াপ্ৰৱণ এলেকাত উপস্থিত থকাৰ সময়তে স্বাস্থ্য বিভাগে আৰম্ভ কৰে তেজ পৰীক্ষণ শিবিৰ। উক্ত তেজ পৰীক্ষণ শিৰিৰত ২৫৬ গৰাকী লোকৰ তেজ পৰীক্ষা কৰা হয় আৰু আশ্চৰ্যজনকভাৱে ২৫৬ গৰাকীৰ ভিতৰত ৫৮ গৰাকী লোক মেলেৰিয়াত আক্ৰান্ত বুলি পৰীক্ষাত ধৰা পৰে। ৫৮ গৰাকী মেলেৰিয়াত আক্ৰান্তৰ ভিতৰত ৪৪ গৰাকী হ'ল প্লাছমোডিয়াম ফেলচিফেৰাম বীজাণুৰ দ্বাৰা মেলেৰীয়া ৰোগত আক্ৰান্ত, ৯ গৰাকী প্লাছমোডিয়াম ভাইভেক্স বীজাণুৰ দ্বাৰা মেলেৰিয়া ৰোগত আক্ৰান্ত আৰু ৫ গৰাকী দুয়োটা বীজাণুৰ দ্বাৰাই আক্ৰান্ত বুলি জানিব পৰা গৈছে। ইপিনে এনে এক পৰিৱেশৰ মাজতে লুংচুং এলেকাৰ শালবাৰী খেলপথাৰত আয়োজিত হোৱা এক সজাগতা সভাত অংশগ্ৰহণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। উক্ত সজাগতা সভাত প্ৰমোদ বড়োৱে অঞ্চলটোত অধিক আশাকৰ্মী নিয়োগ কৰা হ'ব বুলি সদৰি কৰি অতি কম সময়ৰ ভিতৰত শালবাৰী এলেকাত এটা



স্বাস্থ্যকেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ব বুলি মন্তব্য কৰিছে। আনহাতে উক্ত অঞ্চলত ৭টা মেগা হেল্থ চেকআপ কেম্প অনুষ্ঠিত কৰা হ'ব বুলি সদৰি কৰি প্ৰমোদ বড়োৱে আজি তাৎক্ষণিকভাৱে ছটা এফআৰচিৰ মাজত ১৫০০ খন আঁঠুৱা বিতৰণ কৰে। তদুপৰি মেলেৰিয়া ৰোগীসকলৰ মাজত ঔষধ বিতৰণ কৰে স্বাস্থ্য বিভাগে। সজাগতা সভাত উপস্থিত ৰাইজৰ আগত প্ৰমোদ বড়োৱে আজি যোগান ধৰা আঁঠুৱাসমূহ মাছ মৰা কাৰ্যত বা শাক-পাচলিৰ ঘেৰ দিয়া কামত ব্যৱহাৰ নকৰি নিজৰ কামত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। মহৰ উৎপত্তিস্থল , আঁঠুৱাৰ ব্যৱহাৰ , জ্বৰ হলে তেজ পৰীক্ষা কৰা, সময়মতে চিকিৎসালয়ত হাজিৰ হোৱা আদিকে ধৰি আন কেবাটাও বিষয়ৰ ওপৰত সজাগতামুলক ভাষণ দাঙি ধৰি প্ৰমোদ বড়োৱে শিশুৰ বিশেষ যতন লবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাত মেলেৰীয়া ৰোগে বিভিষীকাময় ৰূপ ধাৰণ কৰিছে আৰু বৰ্তমানলৈকে জিলাখনত প্ৰায় দ্বিসহস্ৰাধিক লোক মেলেৰিয়াত আক্ৰান্ত হৈছে আৰু আক্ৰান্তৰ সংখ্যা দিনে দিনে বাঢ়ি গৈ আছে। ইফালে, কোকৰাঝাৰ চান্দামাৰিস্থিত বাসভৱনত আজি সন্ধিয়া ৭:৩০ বজাত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱক লৈ এক সংবাদমেলৰ আয়োজন কৰে। জিলা আয়ুক্ত মাচান্দা পাৰ্টিন, বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ৰ উপস্থিতিত আয়োজিত হোৱা সংবাদমেলত প্ৰমোদ বড়োৱে কোকৰাঝাৰ জিলাত বৰ্তমানলৈকে ২০৯৬ গৰাকী লোক মেলেৰীয়াত আক্ৰান্ত হৈছে বুলি সদৰি কৰিছে। তদুপৰি মেলেৰীয়া প্ৰৱণ এলেকাৰ জিলাখনত সৰ্বমুঠ ১২ টা মেলেৰীয়া চিনাক্তকৰণ আৰু স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হ'ব বুলি সদৰি কৰিছে। মেলেৰিয়া ৰোধ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ইতিমধ্যে এটা চিকিৎসকৰ দল কোকৰাঝাৰলৈ ৰাওনা হৈছে বুলি সদৰি কৰি প্ৰমোদ বড়োৱে কয় যে ৰাইজৰ মাজত সজাগতা আনিবলৈ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব। লুংচুং এলেকাৰ প্ৰতিটো পৰিয়ালৰ প্ৰতিজন সদস্যকে মেলেৰীয়া টেষ্ট কৰা হ'ব বুলি সদৰি কৰি প্ৰমোদ বড়োৱে মেলেৰীয়া ধৰা পৰিলে চিকিৎসকৰ কাষ চাপিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনাইছে।

উল্লেখ্য যে ইয়াৰ পূৰ্বে প্ৰমোদ বড়োৱে স্বাস্থ্য বিভাগৰ সতে এক বৈঠকত মিলিত হয় আৰু মেলেৰীয়া ৰোধ কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

# সতী ৰাধিকাৰ উৎসৱত চৰকাৰী বন্ধ, আদৰণি সঞ্জীৱ দাসৰ

**ই-সংবাদ, গুৱাহাটী, ২৬ নৱেম্বৰঃ** হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেটে মঙলবাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাত কৈৱৰ্ত সমাজ তথা অনুসূচিত জাতিৰ সংগঠনসমূহে উত্থাপন কৰি অহা দাবী পূৰণ হৈছে। কৈৱৰ্ত সমাজক প্ৰতিনিধিত্ব কৰা তথা অনুসূচিত জাতিক প্ৰতিনিধিত্ব কৰা বিভিন্ন সংগঠনে চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনাইছে। এই দাবী উত্থাপন কৰি অহা অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সঞ্জীৱ দাসে কয় যে কৈৱৰ্ত কুলৰ মাছমৰীয়া নদীয়াল পূৰ্ণানন্দৰ পত্নী মহীয়সী নাৰী, কৈৱৰ্ত নন্দিনী সতী ৰাধিকাৰ উৎসৱ পালনৰ (বুদ্ধ পূৰ্ণিমা) দিনটোত চৰকাৰী বন্ধ পালন কৰিবলৈ আজিৰ কেবিনেটে লোৱা সিদ্ধান্তক আদৰণি জনাইছো। কৈৱৰ্ত সমাজখনে তথা অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে এই দাবী এটা দশক ধৰি উত্থাপন কৰি আহিছো। চৰকাৰে সীমিত চৰকাৰী বন্ধৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ বিবেচনা কৰাত চৰকাৰক শুভেচ্ছা জ্ঞাপন কৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে কেবিনেটৰ মন্ত্ৰীসকলক ধন্যবাদ তথা কৃতজ্ঞতা জনাইছো। চৰকাৰীভাৱে ৰাধিকা স্মৃতি দিৱস পালনৰো আহ্বান জনাইছো। উল্লেখ্য যে সংগঠনটোৱে দীৰ্ঘদিন ধৰি উক্ত দাবী উত্থাপন কৰি আহিছিল।

# ওদালগুৰি প্ৰিমিয়াৰ লীগত যুথ ক্লাৱ জয়ী

**ই-সংবাদ, ওদালগুৰি, ২৬ নৱেম্বৰঃ** ওদালগুৰি ইউপিএল খেল পৰিচালনা সমিতিৰ উদ্যোগত দ্বিতীয় সংস্কৰণৰ এমএম কনষ্ট্ৰাকছন ওদালগুৰি প্ৰিমিয়াৰ লীগ ২০২৪ৰ আজিৰ এখন খেলত ইউনাইটেড যুথ ক্লাৱে ৰয়েল ৰাইনোজক ১৪৫ ৰানত পৰাস্ত কৰি বৃহৎ জয় সাব্যস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে ইউনাইটেডে নিৰ্দ্ধাৰিত ২০ অভাৰত সঞ্জীৱ বৰ্মনৰ অপৰাজিত ৫৯ ৰাণৰ বৰঙণিৰে ৫ উইকেটৰ বিনিময়ত ২০৬ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি ৰয়েলে ১৩.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৬১ ৰানতে ইনিংছ সামৰে। ইউনাইটেডৰ ৰাকেশ দাসে চাৰিটা উইকেট দখল কৰে।

# প্ৰৱাহ গোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২৬ নৱেম্বৰঃ** নগাঁৱৰ অন্যতম অগ্ৰণী ক্ৰীড়া, সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰৱাহ গোষ্ঠীৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱসটি দেওবাৰে নগাঁও চহৰৰ শংকৰ মন্দিৰ পথৰ কলংপাৰত অৱস্থিত গোষ্ঠীৰ কাৰ্যালয় প্ৰাঙ্গনত উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে দেওবাৰে পুৱা ৯ বজাত গোষ্ঠীৰ জ্যেষ্ঠ উপ-সভাপতি কুমুদ দত্তই পতাকা উত্তোলন কৰাৰ পাছত গোষ্ঠীৰ সাধাৰণ সম্পাদক পৰাণ কুমাৰ মহন্তই আঁত ধৰি আগবঢ়াই নিয়া প্ৰীতিমেলত ন-পুৰণি কেইবাগৰাকীও ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানটোত গোষ্ঠীৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰশান্ত কুমাৰ বৰা, সমাজ সংগঠক ডাঃ ৰঞ্জন কুমাৰ গোস্বামী, হৰি প্ৰসাদ কাকতি, মাধৱ দাস, প্ৰদীপ কুমাৰ দেবনাথ প্ৰমুখ্যে বহু কেইগৰাকী আমন্ত্ৰিত অতিথি উপস্থিত থাকে। সন্ধিয়া চল্লিশ গচ বন্তি প্ৰজ্বলনেৰে দিনটোৰ কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে। বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰদীপ কুমাৰ দেৱনাথে।



স্বাধীনতা দিৱস কাপ ফুটবলৰ এটি মুহূৰ্ত

## বাতৰি কাকত বিতৰণ কৰি পৰিয়াল চলায়ো সফলতা অৰ্জন

# মালদ্বীপত স্বৰ্ণ জয়ী পৱিত্ৰক গৃহ জিলা মাজুলীত উষ্ম আদৰণি

**ই-সংবাদ, মাজুলী, ২৬ নৱেম্বৰঃ** মাজুলীৰ সু-সন্তান পৱিত্ৰ নাথে বিশ্ব বডী বিল্ডিং আৰু ফিজিক স্পৰ্টছ চেম্পিয়নশ্বিপ ইভেন্টত ১৭৫ চি.এম শাখাত সোণৰ পদক লাভ কৰি দেশলৈ তথা জন্মভূমি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিলে। মালদ্বীপত অনুষ্ঠিত হোৱা বিশ্বৰ অন্যতম বৃহৎ প্ৰতিযোগিতাখনিত সোণৰ পদক লাভেৰে দেশৰ লগতে মাজুলীবাসীক গৌৰৱান্বিত কৰা পৱিত্ৰ নাথ যোৱা ২৪ নৱেম্বৰত জন্মভূমি মাজুলীত উপস্থিত হয়। মাজুলীৰ দক্ষিণপাট ঘাটত উপস্থিত হোৱা পৱিত্ৰক বিভিন্ন দল-সংগঠন, গাঁওবাসীয়ে পাৰঘাটতে গায়ন-বায়নেৰে উষ্ম আদৰণি জনায়। ইয়াৰ পিছতেই পৱিত্ৰ নাথক মধ্য মাজুলীৰ পুৰণিবাৰীৰ আপোন গৃহলৈ বিশাল ৰেলীৰে আদৰি আনে। পথত মাজুলী জিলা শৰীৰ চৰ্চা সংস্থাই আদৰণি জনোৱাৰ পিছতেই আপোন গাঁওখনত প্ৰৱেশ কৰাৰ লগে লগেই গাঁওখনত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে, মহেন্দ্ৰ নাথ আৰু জ্যোতি নাথৰ জ্যেষ্ঠ সন্তান পৱিত্ৰই বহু কষ্টৰ মাজেৰে শৰীৰ চৰ্চা কৰি এই সফলতা বুটলিবলৈ সক্ষম হৈছে। ঘৰে ঘৰে বাতৰি কাকত বিলাই ফুৰা মাজুলীৰ পৱিত্ৰই দেশৰ বাবে বহু কষ্টৰে সন্মান আজুৰি আনে। বহু দুখ আৰু কষ্টৰ মাজেৰে নিজৰ সন্তানে দেশৰ লগতে মাজুলীক বিশ্বৰ বুকুত জিলিকাই তুলিবলৈ সক্ষম হোৱাত সন্তোষ প্ৰকাশ কৰে পিতৃ-মাতৃয়ে।



মাজুলীত উপস্থিত হোৱা নাথক বিভিন্ন জনে মৰমেৰে উপচাই দিয়ে। বহু কষ্টৰে নিজৰ কেৰিয়াৰ গঢ়াৰ লগতে পৰিয়ালক ভৰণ পোষণ দিয়া পৱিত্ৰ নাথে কষ্ট স্বীকাৰ কৰি লাভ কৰা সফলতাৰ বাবে সুখী অনুভৱ কৰা বুলি জানিবলৈ দি আৰু কৰিব লগা বহু আছে বুলি কয়। ৰাইজে দিয়া এই মৰমেৰে সদায় আগুৱাই যাবলৈ সাহস আৰু প্ৰেৰণা দিব বুলি উল্লেখ কৰে। ইফালে পৱিত্ৰই এই সন্দৰ্ভত জয়ৰ কৃতিত্ব হিচাপে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মাজুলীৰ বিধায়ক ভুৱন গাম, লখিমপুৰৰ বিধায়ক মানৱ ডেকাৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ নাম উল্লেখ কৰি আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# স্বাধীনতা কাপত ইলেভেন ষ্টাৰৰ অগ্ৰগতি

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২৬ নৱেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাবে অগ্ৰগতি লাভ কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ খেলত ইলেভেন ষ্টাৰ ক্লাবে চমকপ্ৰদ প্ৰদৰ্শনৰে মধ্যপ্ৰদেশৰ বাৰৱানীৰ কাছা একাডেমীক ২-১ গ'লত পৰাজিত কৰে। ইলেভেন ষ্টাৰ ক্লাবৰ হৈ পাওখনগামে গ'ল দুটা দিয়াৰ বিপৰীতে কাছা একাডেমীৰহৈ লমগুণে একমাত্ৰ গ'লটো দিয়ে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী অভিজিত ৰংহাংক সহায় কৰে আব্দুল মজিদ চৌধুৰী, শৈলেন ভূঞা আৰু নিৰ্মল ভট্টাচাৰ্য্য ( চতুৰ্থ ) য়ে। নগাঁও ক্ৰীড়া সংস্থাৰ অন্যতম যুটীয়া সম্পাদক উজ্জল বৰুৱাই জনোৱামতে, কাইলৈৰ খেলত মৰিগাঁৱৰ ইণ্টাৰ নৰ্থ ইষ্ট এফ চিয়ে ডিফুৰ কাছা ইলেভেনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# লাংহিনৰ ৰংজালু ক্লাবৰ ছেমিত প্ৰৱেশ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৬ নৱেম্বৰঃ** লাংহিনৰ ৰংজালু ক্লাবে কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত চলি থকা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ মঙলবাৰৰ কোৱাৰ্টাৰ ফাইনেলত ৰংজালু ক্লাবে চমকপ্ৰদ প্ৰদৰ্শনৰে নগাঁৱৰ ধিঙৰ নিউ ষ্টাৰ এফ চিক ৩-০ গ'লত পৰাজিত কৰে। খেলখনৰ৩ মিনিটতে ৰংজালু ক্লাবৰহৈ মনজিত নাৰ্জাৰীয়ে গ'ল দি বিৰতিলৈ নিজ দলক ১-০ গ'লত আগবঢ়াই নিয়াৰ পিছত -৬৪ আৰু -৭৫ মিনিটত কনী আডামাই উপৰ্যুপৰি আন দুটা গ'ল স্ক'ৰৰে ৰংজালু ক্লাবৰ ৩-০ গ'লত বিজয় নিশ্চিত কৰে। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা মঙলবাৰৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী বাজু টিচ'ক সহায় কৰে অমন বৰদলৈ, প্ৰেম নাৰ্জাৰী আৰু নিজম তামুলাৰীয়ে। ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক টংকেশ্বৰ খাখলাৰী আৰু বড়ো শ্বহীদ ন্যাসৰ সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, বুধবাৰৰ খেলত ৰহাৰ কটহগুৰি এফ চিয়ে গৰৈমাৰী ইউনাইটেড ক্লাব চমুকৈ জি ইউ চি দলৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি